কাৰিকৰী বিজুতিৰ বাবে ২৫ এপ্ৰিল ২০২৫ৰ সংখ্যাটো ১২ পৃষ্ঠাৰ সলনি ৮ পৃষ্ঠা কৰা হ'ল। তাৰ বাবে আমি দুঃখিত।

— সম্পাদক


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰৱাহ

শুকুৰবাৰ ● ২ মে', ২০২৫/১৮ ব'হাগ ১৯৪৩ শক ● দাম ২.০০ টকা ● চতুৰ্দশ বছৰ ● সংখ্যা - ২ ● Vol - 14, Issue - 2


# ডিব্ৰুগড় চহৰত নৱনিৰ্মিত দুখন উৰণ সেতু শুভ উদ্বোধন মুখ্যমন্ত্ৰীৰ

## ডিব্ৰুগড় জিলাৰ উন্নয়নক এক অগ্ৰাধিকাৰৰ বিষয় হিচাপে গণ্য কৰিছে ৰাজ্য চৰকাৰে ঃ মুখ্যমন্ত্ৰী



**হাছিম আলী, ডিব্ৰুগড় ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড় চহৰৰ ব্যস্ততাপূৰ্ণ অঞ্চল ক'নভয় ৰোড আৰু পুৰণি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগস্থলত নিৰ্মাণ কৰা উৰণ সেতু, থানা চাৰিআলি আৰু চৌকিডিঙ্গী চাৰিআলিৰ মাজৰ মানকটা পথৰ নৱনিৰ্মিত উৰণ সেতুৰ শুভ উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্য চৰকাৰে বিগত সময়ছোৱাত ডিব্ৰুগড় জিলাৰ উন্নয়নক এক অগ্ৰাধিকাৰৰ বিষয় হিচাপে গণ্য কৰিছে আৰু ডিব্ৰুগড় উন্নয়নৰ বাবে চৰকাৰে নিৰন্তৰ কাম কৰি আহিছে। ক'নভয় ৰোড আৰু পুৰণি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগস্থলত নিৰ্মাণ কৰা উৰণ সেতুখন বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ড° লীলা গগৈৰ নামত উৎসৰ্গিত কৰাৰ কথা উল্লেখ কৰি তেওঁ কয় যে এইগৰাকী সাহিত্যিকে অসমীয়া সাহিত্য জগতত অম্লান স্বাক্ষৰ ৰাখি থৈ গৈছে। তেওঁ লগতে কয় যে থানা চাৰিআলি আৰু চৌকিডিঙ্গী চাৰিআলিৰ মাজৰ মানকটা পথত নৱনিৰ্মিত উৰণ সেতুখন বাগ্মীবৰ নীলমনি ফুকনৰ নামত উৎসৰ্গিত কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমীয়া সাহিত্যত 'ককা' আৰু 'বাগ্মীবৰ' উপাধিৰে পৰিচিত নীলমনি ফুকনদেৱ আছিল এগৰাকী বহুমুখী প্ৰতিভাধৰ সাহিত্যিক, কবি, ৰাজনীতিবিদ, সুবক্তা, সম্পাদক আৰু ব্যৱসায়ী। নীলমনি ফুকনৰ কবিতা আৰু সাহিত্যই অসমীয়া সাহিত্যত বিশিষ্ট স্থান অধিকাৰ কৰিছিল বুলিও তেওঁ মন্তব্য কৰে। ৭ পৃষ্ঠাত

# চন্দ্ৰপ্ৰভা বড়া হাইস্কুলৰ সোণালী জয়ন্তী উদ্‌যাপন অনুষ্ঠানত মুখ্যমন্ত্ৰী



**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্বশৰ্মাই গুৱাহাটীৰ আজাৰাস্থিত চন্দ্ৰপ্ৰভা বড়া হাইস্কুলৰ সোণালী জয়ন্তী অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই মন্তব্য কৰে যে সৰ্বাংগীন আৰু বহুমুখী শিক্ষা ব্যৱস্থাৰে শিক্ষানুষ্ঠানসমূহ সামৰি ল'ব পাৰিলে অসমত উপযুক্ত মানৱ সম্পদ নিৰ্মাণ কৰাটো সম্ভৱ হৈ উঠিব। তেওঁ কয় যে ৰাজ্যৰ শৈক্ষিক ব্যৱস্থাটোৰ দ্ৰুত পৰিৱৰ্তন সাধন কৰাৰ বাবে ৰাজ্য চৰকাৰে নিৰৱচ্ছিন্নভাৱে প্ৰয়াস চলাই আহিছে। অসমীয়া মাধ্যমৰ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পোৱাৰ কাৰণ কেইবাটাও কাৰণ আছে বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ ভিতৰত এক অন্যতম কাৰণ হৈছে বিদ্যালয়সমূহত ক্ৰমাগতভাৱে পৰিলক্ষিত হোৱা আন্তঃগাঁথনিৰ দুৰ্বলতা। ৰাজ্য চৰকাৰে সেয়ে বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে এক বিশেষ আঁচনি গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে এই আঁচনিৰ অধীনত ৰাজ্যৰ ৪০০০খন উচ্চ আৰু উচ্চতৰ ৭ পৃষ্ঠাত


অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু শুভেচ্ছাৰে




অসমীয়া নৱবৰ্ষ আৰু ৰঙালী বিহু শুভেচ্ছাৰে



# নগাঁৱত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্বাচনী প্ৰচাৰ, কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা

**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নগাঁও-বটদ্ৰৱা বিধান সভা সমষ্টিৰ অন্তৰ্গত বৰঘাটত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। নগাঁও জিলাৰ কলিয়াবৰ, চামগুৰি, বঢ়মপুৰ, ৰূপহী, ধিং, নগাঁও-বটদ্ৰৱা আৰু ৰহা বিধান সভা সমষ্টিৰ পঞ্চায়ত প্ৰাৰ্থী সকলৰ হৈ মুখ্যমন্ত্ৰীজনে নিৰ্বাচনী প্ৰচাৰ চলাবলৈ আহি মুখ্যমন্ত্ৰী শৰ্মাই কংগ্ৰেছক সমালোচনা কৰি কয় যে-'কংগ্ৰেছে আমাক পাঁচটা অমৃত খুৱাইছিল। সেইকেইটা হৈছে লুঙী, ধুতি, সুতা, কম্বল আৰু আঁঠুৱা। সূতাও সম্পূৰ্ণ নিদিয়ে। দুইহাজাৰ মহিলাক সভালৈ মাতে। সূতা বিলায় মাত্ৰ দুশ পেকেট। কিন্তু আমি প্ৰথমে প্ৰত্যেক সমষ্টিত অৰুণোদয় দিছিলো ১৬ হেজাৰ মহিলাক। এইবাৰ আমি প্ৰত্যেক সমষ্টিত ৪০ হাজাৰকৈ মহিলাক অৰুণোদয় দিম। কলিয়াবৰ, ৰহা, ধিং, ৰূপহী, নগাঁও-বটদ্ৰৱা বিধান সভা সমষ্টিত নিৰ্ধাৰিত সংখ্যাতকৈ চাৰিহেজাৰ অধিক অৰুণোদয় দিব বুলিও মুখ্যমন্ত্ৰীজনে ঘোষণা কৰে। তেওঁ দৰিদ্ৰ পৰিয়ালৰ মেধাৱী ছাত্ৰ-ছাত্ৰী সকলে আয়ৰ প্ৰমাণ-পত্ৰৰ পৰিবৰ্তে কেৱল ৰেচন কাৰ্ড দেখুৱাই বিনামূলীয়াকৈ নামভৰ্তি কৰিব পাৰিব বুলি কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই অহা ১ অক্টোবৰৰ পৰা ৰেচন কাৰ্ডত কম দামত দালি, চেনি নিমখ পাব বুলি মন্তব্য কৰে। তেওঁ কয় যে-'ৰেচন কাৰ্ড থকাসকলে এক অক্টোবৰৰ পৰা বজাৰতকৈ ৩০ টকা কম দামত দালি পাব, ৩০ টকা কম দামত চেনী পাব আৰু ১০ টকা কম দামত নিমখ পাব। অক্টোবৰ মাহৰ পৰা গেছৰ দাম বৰ্তমানতকৈ ৩০০-৩৫০ টকা কম হ'ব। মহিলা সকলক জুন মাহৰ ভিতৰত ১০ হাজাৰ টকা দিয়া হ'ব।' তেওঁ স্নাতক ডিগ্ৰীধাৰী যুৱক সকলক ১ বছৰলৈ প্ৰত্যেক মাহত আঢ়ৈ হাজাৰ টকা প্ৰদান কৰিব বুলি মন্তব্য কৰি কয় যে-'কংগ্ৰেছ দলে পূৰ্বতেও একো নিদিলে। এতিয়াও একো নিদিয়ে। তেওঁলোকে অংগনবাড়ী কেন্দ্ৰৰ ঘৰ বনাইছিল। যি সমূহ ঘৰত পাৰ চৰাই এটাও সোমাব নোৱাৰে। আমি ঘৰ বনাইছো আহল বহল। হাইস্কুল সমূহতো পৰ্যায়ক্ৰমে আঠ কোটিকৈ টকা দিম। ভাল বিল্ডিং বনাম। চেন্ট্ৰেল, ডনবস্কতকৈ আমাৰ স্কুল সমূহ ভাল হ'ব। এখন নতুন অসম নিৰ্মাণৰ কামত আগবাঢ়িছো।' মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে-'বিজেপি চৰকাৰৰ দিনত পথাৰৰ মাজত যদি কোনোবাই ঘৰ বনাইছে তেওঁৰো ৰাস্তা পাইছে। কংগ্ৰেছ চৰকাৰৰ দিনত চাকৰি এটা পাবৰ বাবে লাখ লাখ টকা ঘোচ দিব লাগিছিল। অংগনবাড়ী চাকৰি এটাৰ বাবেও একলাখ বা ডেৰলাখ টকা ঘোচ দিব লাগে। চৰকাৰী চাকৰিৰ নামত দালালি কৰি লোৱা টকাৰে কংগ্ৰেছৰ নেতা সকলে ঘৰ বনাইছে, গাড়ী কিনিছে।আমি ডেৰলাখ চাকৰি দিছো। একলাখকৈ লোৱা হ'লে পোন্ধৰশ কোটি টকা ঘৰত আহিলহেঁতেন। কিন্তু অসমত প্ৰথমবাৰৰ বাবে এনেকুৱা এখন চৰকাৰ ৰাইজে দেখা পাইছে যি চাকৰিৰ নামত তামোল-পান এখনো খোৱা নাই।' তেওঁ কয় যে-'কেতিয়াও নেদেখা, কেতিয়াও নোহোৱা নতুন অসম নিৰ্মাণ কৰিছো। প্ৰত্যেক সমষ্টিৰ এক হাজাৰ চাকৰি নোপোৱা ল'ৰাক ব্যৱসায় কৰিবৰ বাবে দুইলাখকৈ টকা দিম। অংগনবাড়ী কৰ্মী, আশা কৰ্মী ৰান্ধনী সকলৰো এক অক্টোবৰৰ পৰা দৰমহা বাঢ়িব। ন্যায়াধীশ বিপ্লব শৰ্মাৰ প্ৰতিবেদন পঢ়িব। কংগ্ৰেছ দলৰ শাসন কালত ছোৱালীয়ে আৰু কিবা কিবি কৰিব লাগিছিল। ক'ব নোৱাৰো, মুখ খুলিব নোৱাৰো।' বৰ্তমান অসমত বন্দুকৰ শব্দ নাই বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে-'বৰ্তমান গুলীৰ শব্দ নাই। বোমা বিস্ফোৰণৰ শব্দ নাই। ঢোল-পেপাৰ শব্দহে আছে। অসমৰ বিহু জগত সভালৈ গৈছে। লাচিত বৰফুকনে বিশ্বজুৰি স্বীকৃতি পাইছে। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা পাইছে। চৰাইদেউ মৈদামে ইউনেস্ক'ৰ ৱৰ্ল্ড হেৰিটেজৰ স্বীকৃতি পাইছে।বিজেপিৰ কাৰ্যকালত বোমা বিস্ফোৰণ,গুলীৰ শব্দ বন্ধ হ'ল। সাম্প্ৰদায়িক সংঘৰ্ষ বন্ধ হ'ল। এতিয়া কোকৰাঝাৰ ওদালগুৰিটো কোনো মুছলমান মানুহৰ হত্যা নহয়। আমি পৰিবৰ্তন আনিলো। এতিয়া বড়ো-অসমীয়াৰ কাজিয়া নহয়। বঙালী-অসমীয়াৰ কাজিয়া নহয়। জনগোষ্ঠী-অজনগোষ্ঠীৰ কাজিয়া নহয়। আমি চাৰিটা বছৰৰ ভিতৰত আমাৰ অসমখনক এখন শান্তি, সমৃদ্ধি আৰু প্ৰগতিৰ অসমলৈ ৰূপান্তৰ কৰিলো।' ড° শৰ্মাই লগতে কয় যে-'দেশত শান্তি আৰু সমৃদ্ধি আহিলে উদ্যোগীকৰণ হয়। অসমত এডভান্টেজ অসম অনুষ্ঠিত কৰিলো। ৫ লাখ ২৩ হাজাৰ কোটি টকাৰ বিনিয়োগ অসমত আহিব। অসমত উদ্যোগ হ'লে সাত হাজাৰ টকাত বহিঃৰাজ্যত কাম কৰা ল'ৰা-ছোৱালীবোৰক অসমলৈ উভতাই আনিম। কংগ্ৰেছে চিন্তা কৰা হ'লে এইবোৰ কাম আগতেই হ'লহেঁতেন।' তেওঁ দিল্লীত বিজেপি,অসমত বিজেপি, পঞ্চায়তে‌তো বিজেপি বিজয়ী হ'লে ট্ৰিপুল ইঞ্জিনৰ চৰকাৰ চলিলে শান্তি, সমৃদ্ধি আৰু প্ৰগতিৰ অসম নিৰ্মাণ হ'ব বুলি মন্তব্য কৰি অগপ-বিজেপিৰ প্ৰাৰ্থী সকলক ভোট দিবলৈ আহ্বান জনায়। ইপিনে সভাৰ শেষত সাংবাদিকৰ আগত সাংসদ গৌৰৱ গগৈৰ প্ৰসংগত নাম উল্লেখ নকৰাকৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে-'কোনোবা ব্যক্তিয়ে যদি ভাৰতত চাকৰি কৰি পাকিস্তানৰ পৰা দৰমহা লয়, চৰকাৰে গম নোপোৱাকৈ পাকিস্তানলৈ যায় আৰু ল'ৰা-ছোৱালীৰ নাগৰিকত্বৰ কথা ৰাইজক নকয়। তেতিয়া আইনে যি ব্যৱস্থা ল'ব লাগে ল'ব। ছেপ্টেম্বৰ মাহৰ ১০ তাৰিখৰ ভিতৰত আমি আপোনালোকৰ সন্মুখত প্ৰতিবেদন লৈ আনিম বুলি মন্তব্য কৰাৰ লগতে পঞ্চায়ত নিৰ্বাচনত বি জে পি আৰু অ.গ.প মিত্ৰজোটৰ প্ৰাৰ্থী সকলক জয়ী কৰাবৰ ৰাইজক আহ্বান জনায়। সভাত বিধায়ক, ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাস, দীপ্লুৰঞ্জন শৰ্মা, নগাঁও জিলা বিজেপিৰ সভাপতি ৰঞ্জিত বৰদলৈ, বিজেপি কলিয়াবৰ জিলাৰ সভাপতি বাবুল বৰা, অসম গণ পৰিষদ নগাঁও জিলাৰ সভাপতি মণিমাধৱ মহন্তৰ লগতে আগন্তুক পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোঁটৰ প্ৰাৰ্থী সকল দলীয় কাৰ্যকৰ্তা সকল, ভাৰতীয় জনতা পাৰ্টি আৰু অসম গণ পৰিষদৰ দলৰ বিষয়ববীয়া সকলৰ লগতে কেইবা সহস্ৰাধিক ৰাইজ উপস্থিত থাকে।

# নগাঁৱৰ পাঠৰীত চোৰাং গৰু ভৰ্তি বাহন জব্দ



**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও সদৰ আৰক্ষী চকীৰ অন্তৰ্গত পাথৰি বিয়লি স্থানীয় ৰাইজ আৰু বৰঘাট বাইপাছ আৰক্ষী চকীৰ সহযোগত কেইবাখনো গৰু ভৰ্ত্তি বাহন জব্দ কৰা হয়। প্ৰাপ্ত খবৰৰ মতে এখন বাহন বাগৰি পৰা সময়ত স্থানীয় লোকে বাহনখনত গৰু প্ৰত্যক্ষ কৰে আৰু সন্দেহ ওপজাত লগে লগে এই বাহনখনৰ পিছে পিছে অহা আন পাঁচখন বাহন পৰীক্ষা কৰাত আটাইকেইখন বাহনত গৰু প্ৰত্যক্ষ কৰি তেওঁলোকে বৰঘাট আৰক্ষী চকীৰ আৰক্ষীক খবৰ দিয়ে। আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় লোকৰ সহায়ত ৬ খন গৰুভৰ্তি বাহন জব্দ কৰে। আৰক্ষীয়ে বাহন কেইখনৰ পৰা বুজন পৰিমানৰ গৰু জব্দ কৰে। আৰক্ষী সূত্ৰয়েদি জানিব পৰা মতে গৰু সৰবৰাহ কৰাৰ প্ৰয়োজনীয় নথি-পত্ৰ আৰক্ষীক দেখুৱাব পৰা নাই। সেয়ে জব্দ কৰা গৰুখিনি বৈধ হয় নে নহয় সেয়া তদন্তৰ পিছতহে সমগ্ৰ ঘটনাটো পোহৰলৈ আহিব বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

# বানপানী অসমৰ এটা ডাঙৰ জলন্ত সমস্যা

■ **অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি

**হয়,** বছৰত ৫০শতাংশ লোক এই বানৰ কৱলত পৰে। অসমত নৈ-উপনৈৰ সংখ্যা অধিক। বাৰিষাত নৈ-উপনৈসমূহ পৰিপূৰ্ণ হৈ ফেনে ফুটুকাৰে বাঢ়ি অহাৰ ফলত, গঢ়া খহনীয়াত ফলত বহুত খেতি পথাৰৰ শস্য নষ্ট হয়। মানুহৰ চোতাল ঘৰ পানীত বুৰ যায় আৰু এক অৰাজকতা সৃষ্টি হয়। ঠিকাদাৰ আদিয়ে নিজৰ অধিক মুনাফা লাভৰ কথা ভাবি মথাউৰিবোৰ নিৰ্মাণ কৰোঁতে সস্তীয়া কম মানদণ্ডৰ সামগ্ৰী ব্যৱহাৰ কৰে যাৰ ফলত কম দিনৰ ভিতৰতে ভাঙি যায় কিছুমান ঠাইত এবছৰো অতিবাহিত নহয় টিভিৰ বাতৰিত দেখিছোঁ। তদুপৰি আমাৰ মানুহবোৰ কম নহয় নলা-নৰ্দমা আদিত প্লাষ্টিকৰ পেকেট-জাবৰ জোথৰ আদি পেলোৱাৰ কাৰণে নলাবোৰ বন্ধ হৈ থাকে পানী যাবলৈ সুবিধা নাপায় নলাৰ পানী বাট-পথ বুৰাই পেলায়। গতিকে এই সমস্যাবোৰৰ কাৰণে বানপানীৰ সমস্যাৰ সৃষ্টি হয়। নদী বান্ধ বানপানীৰ সমস্যাৰ আন এটা কাৰণ।

ইয়াৰ সমাধানৰ উপায়-১। খৰালিতে মথাউৰিবোৰ উন্নত প্ৰণালীৰে নিৰ্মাণ কৰিব লাগিব।

২। নদী বান্ধ যধে মধে খুলি দিব নালাগে।

৩। নৈ-উপনৈসমূহৰ মাজে সময়ে খনন কাৰ্য কৰিলে প্ৰতিৰোধ হ'ব

৪। নলা-নৰ্দমা পানী যোৱাৰ বাট পৰিস্কাৰ কৰি থ'ব লাগিব। সকলোৱে জাবৰ জোথৰ পেলাই বন্ধ কৰিব নোৱাৰে তাৰ কাৰণে ৰাইজে সতৰ্ক থাকিব লাগিব।

**ম'বাইল ঃ ৭০০২৯-৪২৫৯১**

# বৃহত্তৰ শিমলুগুৰিত সাংস্কৃতিক কৰ্মী-শিল্পীসকলৰ একাংশ



**বিতোপন গগৈ, শিমলুগুৰি ঃ** সংস্কৃতিৰ অৰ্থ অতি ব্যাপক। বিশাল চিন্তা পৰিক্ৰমাৰে জীৱনৰ সঁচা উপলব্ধিক শিল্পজাত দিশৰ প্ৰমূল্য সাৰ্বিকৰূপত প্ৰতিফলিত হয়। সৰ্বজনবিদিত, সমাদৃত অনন্য দিশ গীত মাতৰ চৰ্চা। বাহুল্যবৰ্জিতভাৱে প্ৰকাশযোগ্য যে বৃহত্তৰ শিমলুগুৰিত (লখিমপুৰ) বহুজন নৱপ্ৰজন্মৰ লগতে বয়োজ্যেষ্ঠ শিল্পীৰ জন্ম হৈছিল। ঢোলৰ ওজা (ৰবি চুতীয়া, জয়ৰাম খণ্ডীয়া, শ্যাম বৰুৱা আদি)ৰ পৰা ধৰি লোকগীতৰ শিল্পী যতীন বৰুৱা, মনোৰঞ্জন সন্দিকৈ পেপুঁৱে বানেশ্বৰ গগৈ, খোলবাদ্যত বৰপাই সন্দিকৈ, নাথুৰাম বৰুৱা বায়ন, সুন্দৰ কণ্ঠৰে বিহুৱা আৰু ভাগৱত পাঠত আকৰ্ষিত কৰা ৰেব বৰা সকলোৰে আদৰৰ।

অসমীয়া জাতীয় জীৱনত অৰিহণা আগবঢ়াই অহা অলেখ পৰিচিত শৈল্পিক চেতনা সমৃদ্ধ ব্যক্তি বিশেষৰ উপৰিও গাঁৱে গাঁৱে আলোড়িত হৃদয়েৰে অলেখ সাংস্কৃতিক কৰ্মীৰ পয়োভৰ। চৰকাৰৰ দৃষ্টিগোচৰ হোৱা অৱশ্যে বাঞ্ছনীয়। ৰঙতি, ৰাজগড় শিমলুগুৰি পঞ্চায়তৰ এই বৃহৎ অঞ্চলত আছে তুলসী গগৈ, মোলান গগৈ, নিতুল বৰুৱা, বিতোপন ফুকন, অনিল প্ৰসাদ, জগদীশ চবৰ, হিমাক্ষী চেতিয়া, ৰিপুন গোহাঁইলৈকে বহুতো প্ৰতিষ্ঠিত আৰু নতুন মুখ। লক্ষ্যস্থান নিৰ্ণয় নিজৰ অনুশীলন আৰু আত্মবিশ্বাসত।

# শিৱসাগৰ জিলাৰ জিলা আয়ুক্তলৈ প্ৰধানমন্ত্ৰীৰ বিশেষ বঁটা দল-সংগঠনৰ অভিনন্দন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ শিৱসাগৰ জিলাৰ জিলা দণ্ডাধীশ তথা জিলা আয়ুক্ত আয়ুস গৰ্গ, ভা. প্ৰ. সে. 'জিলাৰ সামগ্ৰিক উন্নয়ন' শিতানত বৰপেটা জিলাত লোৱা উন্নয়নমূলক পদক্ষেপৰ সফল ৰূপায়ণৰ বাবে ২০২৩ চনৰ প্ৰধানমন্ত্ৰী ৰাজহুৱা প্ৰশাসনৰ উৎকৃষ্টতাৰ বিশেষ বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, ভাৰতৰ শক্তিশালী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত যোৱা ২১ এপ্ৰিল, ২০২৫ তাৰিখে নতুন দিল্লীৰ বিজ্ঞান ভৱনত এই বঁটা প্ৰদান কৰা হয় বুলি শিৱসাগৰ জিলা তথ্য আৰু জনসংযোগ বিভাগে জানিবলৈ দিছে। আনহাতে বিজেপি নেতা তথা প্ৰাক্তন বিধায়ক কুশল দুৱৰী, সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসম কেন্দ্ৰীয় সমিতি, যুৱ সাংবাদিক সন্থা-অসম শিৱসাগৰ জিলা সমিতি, সমন্বয় সাংস্কৃতিক গোষ্ঠী, অসম নাট্য সন্মিলন-শিৱসাগৰ শাখা, দৃশ্যপট-শিৱসাগৰ, বৃহত্তৰ শিৱসাগৰ প্ৰেছ ক্লাব এ সংবাদ মাধ্যমৰ যোগেদি শিৱসাগৰৰ জিলা আয়ুক্ত আয়ুস গৰ্গ দেৱলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰাৰ লগতে তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছে।

# অতিমাত্ৰা জনসংখ্যা ঃ ভৱিষ্যতৰ প্ৰতি ভাবুকি

■ সত্যব্ৰত বৰা

অতিমাত্ৰা জনসংখ্যা বৰ্তমান বিশ্বৰ সন্মুখত অন্যতম ডাঙৰ প্ৰত্যাহ্বান। গ্ৰহটোৰ মানুহৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে সম্পদ, পৰিৱেশ আৰু সমাজৰ ওপৰত ক্ৰমাৎ হেঁচা পৰিছে। স্বাস্থ্যসেৱা, কৃষি আৰু প্ৰযুক্তিৰ উন্নতিয়ে জীৱনৰ মান উন্নত কৰিছে হয় কিন্তু জনসংখ্যাৰ দ্ৰুত বৃদ্ধিতো অৰিহণা যোগাইছে। এই বৃদ্ধি কেৱল সংখ্যাৰ লগতে জড়িত নহয় লগতে বহন ক্ষমতাৰ লগতো জড়িত। মানুহ যিমানেই বেছি হ'ব সিমানেই খাদ্য, পানী, শক্তি আৰু মাটিৰ প্ৰয়োজন হ'ব। দুৰ্ভাগ্যজনকভাৱে এই সম্পদসমূহ সীমাহীন নহয়। অতিমাত্ৰা জনসংখ্যাৰ ফলত সৃষ্টি হোৱা প্ৰয়োজনীয়তাই গ্ৰহটোৰ ভাৰসাম্যতাৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে।

অতিমাত্ৰা জনসংখ্যাৰ অন্যতম তাৎক্ষণিক পৰিণতি হ'ল প্ৰাকৃতিক সম্পদৰ অভাৱ। প্ৰতিজন মানুহকে জীয়াই থাকিবলৈ খাদ্য আৰু পানীৰ প্ৰয়োজন হয়। দৈনিক কোটি কোটি লোকে এই সম্পদসমূহ গ্ৰহণ কৰাৰ লগে লগে ইয়াৰ উপলব্ধতা কমি আহিছে। পানীৰ উৎসৰ অতিমাত্ৰা ব্যৱহাৰ হোৱাৰ ফলত বিশ্বৰ বহু ঠাইত পানীৰ নাটনি হৈছে। অতিমাত্ৰা কৃষিৰ বাবে কৃষিভূমি শেষ হৈ গৈছে। মানৱ বসতিৰ বাবে ঠাই সৃষ্টি কৰিবলৈ ভয়ংকৰ হাৰত বনাঞ্চল পৰিস্কাৰ কৰা হৈছে। বনাঞ্চল ধ্বংসই কেৱল পৰিৱেশ তন্ত্ৰ ধ্বংস কৰাই নহয় জলবায়ু পৰিৱৰ্তনতো অৰিহণা যোগায়। কিয়নো বায়ুমণ্ডলৰ পৰা কাৰ্বন ডাই অক্সাইড শোষণ কৰাত গছে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

পৰিৱেশৰ অৱক্ষয় হৈছে অতিৰিক্ত জনসংখ্যাৰ সৈতে জড়িত আন এটা ডাঙৰ বিষয়। অধিক লোকৰ অৰ্থ হ'ল অধিক আৱৰ্জনা, অধিক প্ৰদূষণ আৰু প্ৰাকৃতিক বাসস্থানৰ বাবে অধিক ধ্বংস। বৃদ্ধি পোৱা জনসংখ্যাৰ শক্তিৰ চাহিদা পূৰণৰ বাবে জীৱাশ্ম ইন্ধন জ্বলোৱাৰ ফলত সেউজ গৃহ গেছ নিৰ্গত হয় যাৰ দ্বাৰা গোলকীয় উষ্ণতা বৃদ্ধি পাই আহিছে। বৰ্ধিত ঔদ্যোগিক কাৰ্যকলাপ আৰু পৰিবহণৰ ফলত বায়ু আৰু পানী প্ৰদূষণ হয়। ফলত মানুহৰ স্বাস্থ্য আৰু জৈৱ বৈচিত্ৰ্য দুয়োটাতে প্ৰভাৱ পৰিছে। বাসস্থান ধ্বংস হোৱাৰ বাবে বহু প্ৰজাতিৰ প্ৰাণী আৰু উদ্ভিদ বিলুপ্ত হৈ পৰিছে। পৰিৱেশ তন্ত্ৰ আৰু অধিক অস্থিৰ হৈ পৰিছে। আমি যিমানেই প্ৰকৃতিৰ শোষণ কৰিম সিমানেই গ্ৰহটোৰ সূক্ষ্ম ভাৰসাম্যতাও বিঘ্নিত কৰিম।

অতিমাত্ৰা জনসংখ্যাৰ সামাজিক আৰু অৰ্থনৈতিক পৰিণতিও ভয়াৱহ। অধিক জনবসতিপূৰ্ণ অঞ্চলত খাদ্য, পানী, কৰ্মসংস্থানৰ দৰে সম্পদৰ বাবে প্ৰতিযোগিতা তীব্ৰ হৈ পৰে। ফলত দৰিদ্ৰতা আৰু বৈষম্যৰ সৃষ্টি হৈছে। বহুতো উন্নয়নশীল দেশে নিজৰ বৃদ্ধি পোৱা জনসংখ্যাক স্বাস্থ্যসেৱা, শিক্ষা, গৃহ নিৰ্মাণৰ দৰে মৌলিক সেৱা প্ৰদান কৰিবলৈ সংগ্ৰাম কৰিব লগা হৈছে। ফলত জীৱন-যাপনৰ অৱস্থাৰ অৱনতি ঘটিছে আৰু মানুহে অতিমাত্ৰা ভিৰ আৰু অস্বাস্থ্যকৰ পৰিৱেশত থাকিবলৈ বাধ্য হৈছে। অতিমাত্ৰা ভিৰে ৰোগৰ প্ৰাদুৰ্ভাৱৰ সম্ভাৱনা বৃদ্ধি কৰিছে। পুষ্টিহীনতা আৰু বিশুদ্ধ খোৱাপানীৰ অভাৱে অতিৰিক্ত জনবসতিপূৰ্ণ অঞ্চলত স্বাস্থ্য সংকটৰ সৃষ্টি কৰাত অধিক অৰিহণা যোগাইছে।

অতিমাত্ৰা জনসংখ্যাৰ আন এটা পৰিণতি হ'ল নিবনুৱা সমস্যা। অধিক লোকে কৰ্মশক্তিত প্ৰৱেশ কৰাৰ লগে লগে চাকৰিৰ সুযোগ দুৰ্লভ হৈ পৰে, যাৰ ফলত নিবনুৱাৰ হাৰ অধিক হয়। ইয়াৰ ফলত অপৰাধ আৰু সামাজিক অশান্তিত ইন্ধন যোগায়। চৰকাৰসমূহে পৰ্যাপ্ত পৰিমাণৰ কৰ্মসংস্থান সৃষ্টি আৰু বৃহৎ জনসংখ্যাৰ বাবে কল্যাণমূলক সহায় আগবঢ়োৱাটো প্ৰত্যাহ্বানজনক বুলি বিবেচনা কৰে, যিয়ে অৰ্থনৈতিক অস্থিৰতাৰ সৃষ্টি কৰিব পাৰে।

অতিৰিক্ত জনসংখ্যাৰ প্ৰভাৱ কেৱল নিৰ্দিষ্ট অঞ্চলতে সীমাবদ্ধ নহয়; ইয়াৰ বিশ্বব্যাপী প্ৰভাৱ আছে। এটা অঞ্চলৰ অতিৰিক্ত জনসংখ্যাই আন অঞ্চলত কেনে ধৰণে প্ৰভাৱ পেলাব পাৰে তাৰ এটা উদাহৰণ হ'ল গণ প্ৰব্ৰজন। যেতিয়া মানুহে নিজৰ দেশত পৰ্যাপ্ত সম্পদ বা সুযোগ বিচাৰি নাপায়, তেতিয়া তেওঁলোকে উন্নত জীৱনৰ সন্ধানত আন ঠাইলৈ গুচি যায়। এই প্ৰব্ৰজনে গ্ৰহণকাৰী দেশসমূহৰ অৰ্থনীতি আৰু আন্তঃগাঁথনিৰ ওপৰত অতিৰিক্ত হেঁচা প্ৰয়োগ কৰিব পাৰে, কেতিয়াবা ৰাজনৈতিক উত্তেজনা আৰু সংঘাতৰো সৃষ্টি কৰিব পাৰে।

জলবায়ু পৰিৱৰ্তন হৈছে অতিৰিক্ত জনসংখ্যাৰ ফলত তীব্ৰতৰ হোৱা আন এক বিশ্বব্যাপী সমস্যা। মানুহ যিমানেই বেছি হয় সিমানেই শক্তি খৰচ হয় আৰু বায়ুমণ্ডললৈ কাৰ্বন নিৰ্গমণ সিমানেই বেছি হয়। বৰ্ধিত উষ্ণতা, চৰম বতৰৰ পৰিঘটনা, প্ৰাকৃতিক দুৰ্যোগ আদি মানুহৰ কাৰ্যকলাপৰ বাবে অধিক সঘনাই ঘটিছে। যদিহে জনসংখ্যা বৃদ্ধি বৰ্তমানৰ হাৰত অব্যাহত থাকে, তেন্তে জলবায়ু পৰিৱৰ্তনৰ বিৰুদ্ধে যুঁজ দিয়াৰ প্ৰচেষ্টা অকাৰ্যকৰী হৈ পৰিব পাৰে।

অতিৰিক্ত জনসংখ্যাৰ সমাধান বিচাৰি উলিওৱাটো জটিল যদিও অতি প্ৰয়োজনীয়। এই সমস্যা সমাধানৰ অন্যতম ফলপ্ৰসূ উপায় হ'ল শিক্ষা আৰু সজাগতা। যেতিয়া মানুহক পৰিয়াল পৰিকল্পনা আৰু অতিৰিক্ত জনসংখ্যাৰ প্ৰভাৱৰ বিষয়ে অৱগত কৰা হয়, তেতিয়া তেওঁলোকে সন্তানৰ সংখ্যাৰ বিষয়ে জ্ঞাত সিদ্ধান্ত লোৱাৰ সম্ভাৱনা বেছি হয়। গৰ্ভনিৰোধক আৰু প্ৰজনন স্বাস্থ্য সেৱাৰ সুবিধাই জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। বহু দেশে জনসচেতন অভিযান আৰু সৰু পৰিয়ালক প্ৰসাৰিত কৰা নীতিৰ জৰিয়তে জন্মৰ হাৰ সফলতাৰে হ্ৰাস কৰিছে।

বিশেষকৈ মহিলাসকলৰ বাবে অৰ্থনৈতিক সুযোগ উন্নত কৰাটো অতিৰিক্ত জনসংখ্যাৰ সৈতে মোকাবিলা কৰাৰ আন এক গুৰুত্বপূৰ্ণ পদক্ষেপ। অধ্যয়নত দেখা গৈছে যে যেতিয়া মহিলাসকলে শিক্ষা আৰু কৰ্মসংস্থাপনৰ সুবিধা লাভ কৰে তেতিয়া তেওঁলোকৰ সন্তান কম হোৱাৰ প্ৰৱণতা থাকে। শিক্ষা আৰু কেৰিয়াৰৰ সুযোগৰ জৰিয়তে মহিলাসকলৰ সবলীকৰণে জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণ কৰাত সহায় কৰাই নহয়, অধিক সুস্থিৰ আৰু সমৃদ্ধিশালী সমাজৰ সৃষ্টিও কৰে।

অতিৰিক্ত জনসংখ্যা পৰিচালনাৰ বাবেও বহনক্ষম উন্নয়ন মূল চাবিকাঠি। চৰকাৰে নবীকৰণযোগ্য শক্তি, দক্ষ পানী ব্যৱস্থাপনা, আৰু পৰিৱেশ-বন্ধুত্বপূৰ্ণ কৃষিত বিনিয়োগ কৰিব লাগিব যাতে সম্পদে বৃদ্ধি পোৱা জনসংখ্যাক সহায় কৰিব পাৰে। নগৰ পৰিকল্পনাই অতিমাত্ৰা ভিৰ আৰু বস্তি গঠন ৰোধ কৰিবলৈ পৰ্যাপ্ত আন্তঃগাঁথনি, গৃহ নিৰ্মাণ, আৰু ৰাজহুৱা সেৱাৰ সৈতে বসবাসযোগ্য চহৰ সৃষ্টি কৰাত গুৰুত্ব দিব লাগে। আৱৰ্জনা হ্ৰাস কৰা আৰু পানী সংৰক্ষণৰ দৰে বহনক্ষম ব্যৱহাৰৰ অভ্যাসক উৎসাহিত কৰিলেও পৰিৱেশৰ ওপৰত বৃদ্ধি পোৱা জনসংখ্যাৰ প্ৰভাৱ কমোৱাত সহায়ক হ'ব পাৰে।

অতিমাত্ৰা জনসংখ্যা এক প্ৰত্যাহ্বান যাক কোনোপ্ৰকাৰে আওকাণ কৰিব নোৱাৰি। পৰিৱেশৰ পৰা আৰম্ভ কৰি সামাজিক স্থিতিশীলতা আৰু অৰ্থনৈতিক বিকাশলৈকে ই জীৱনৰ প্ৰতিটো দিশতে প্ৰভাৱ পেলায়। যদিহে ইয়াক নিয়ন্ত্ৰণ নকৰাকৈ ৰখা হয় তেন্তে ইয়াৰ ফলত সম্পদৰ তীব্ৰ নাটনি, পৰিৱেশ দুৰ্যোগ, সংঘাতৰ সৃষ্টি হ'ব পাৰে। কিন্তু শিক্ষা, অৰ্থনৈতিক সবলীকৰণ আৰু বহনক্ষম উন্নয়নক প্ৰসাৰিত কৰা নীতি ৰূপায়ণ কৰিলে জনসংখ্যা বৃদ্ধিৰ গতি লেহেমীয়া কৰি অধিক সুষম ভৱিষ্যত গঢ়ি তোলা সম্ভৱ।

## উৰিয়াগাঁৱত 'আপকু'ৰ নগাঁও জিলা সমিতিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

### সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ অৱদান আগবঢ়োৱা আঠ গৰাকী বিশিষ্ট ব্যক্তিক বিশেষভাৱে সম্বৰ্ধনা



**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** 'আসাম প্ৰেছ ক'ৰেছপণ্ডেছ ইউনিয়ন' চমুকৈ 'আপকু'ৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱসটি নগাঁও জিলা সমিতিৰ উদ্যোগত বিভিন্ন কাৰ্যসূচীৰে উৰিয়াগাঁৱত উদ্‌যাপন কৰা হয়। উৰিয়াগাঁৱৰ শ্বহীদ ভোগেশ্বৰী ফুকননী বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসত অন্যান্য কাৰ্যসূচীৰ লগতে বিয়লি অনুষ্ঠিত হোৱা এক সভাত জিলাখনৰ সামাজিক, সাংস্কৃতিক, ক্ৰীড়া আদি ক্ষেত্ৰৰ লগত জড়িত আঠগৰাকী বিশিষ্ট ব্যক্তিক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। 'আপকু'ৰ নগাঁও জিলা সমিতিৰ সভাপতি অপূৰ্ব হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত বিশিষ্ট কালী বাদক ভীমেশ্বৰ মুদৈ, অৱসৰপ্ৰাপ্ত শিক্ষক তথা নাট্যশিল্পী জীৱন চন্দ্ৰ শইকীয়া, অৱসৰপ্ৰাপ্ত অধ্যক্ষ, লেখক ফজলুল হক মৰল, বিশিষ্ট সমাজসেৱক তথা প্ৰবীণ অভিনেতা নৰেন্দ্ৰ নাথ বৰা, ৰাষ্ট্ৰসংঘৰ স্থায়ী সামাজিক প্ৰতিনিধি পংকজ জ্যোতি হাজৰিকা, আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ যোগ প্ৰশিক্ষক, বিচাৰক তথা ক্ৰীড়া সংগঠক প্ৰভাত চন্দ্ৰ বৰা, ভাস্কৰ্য শিল্পী পংকজ মহন্ত, সমাজসেৱক শৰৎ চন্দ্ৰ বৰা (মিলন)ক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। 'আপকু'ৰ নগাঁও জিলা সমিতিৰ সম্পাদক সমৰেন্দ্ৰ নাৰায়ণ বৰাই আঁত ধৰা সভাখনত বিশিষ্ট অতিথি হিচাপে অৱসৰপ্ৰাপ্ত অধ্যক্ষা, লেখিকা ৰিণ্টু দাস, বিশিষ্ট নাট্যকাৰ, পৰিচালক তথা অভিনেতা কমলেশ শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক থুলেশ্বৰ শইকীয়া, বিশিষ্ট শিল্পী, কবি, লেখক গোলাপ বৰাই অংশগ্ৰহণ কৰে। সভাত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এথলেটিকছ (দৌৰবিদ) পাহী কেওটক ফুলাম গামোচাৰে 'আপকু'ৰ জিলা সমিতিৰ তৰফৰ সম্ভাষণ জনোৱা হয়। সভাত অৱসৰপ্ৰাপ্ত অধ্যক্ষা ৰিণ্টু দাসে কৃতী খেলুৱৈ পাহী কেওটক ব্যক্তিগতভাৱে পাঁচ হেজাৰ টকা প্ৰদান কৰি আৰ্থিক দিশত সহায় কৰিব বুলি ভাষণত উল্লেখ কৰে। সভাত সম্বৰ্ধিত কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে নিজৰ অনুভৱ ব্যক্ত কৰি 'আপকু'ৱে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি লোৱা এনে পদক্ষেপক শলাগ লয়। তদুপৰি সভাত আপকুৰ নগাঁও জিলা সমিতিৰ সভাপতি অপূৰ্ব হাজৰিকাই ভাষণত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ পাহী কেওটক অহা ৯ মে'ত বঢ়মপুৰৰ ৰাংঢালী ব'হাগী উৎসৱৰ অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব বুলি ভাষণত উল্লেখ কৰাৰ উপৰিও উক্ত অনুষ্ঠানতে খেলুৱৈগৰাকীক পাঁচ হেজাৰ টকা প্ৰদান কৰি আৰ্থিকভাৱে সকাহ দিব বুলি মন্তব্য কৰে। একেদৰে, 'আপকু'ৰ নগাঁও জিলা সমিতিৰ ফালৰ পৰাও খেলুৱৈগৰাকীক আৰ্থিকভাৱে সহায় কৰা হ'ব বুলি সম্পাদক সমৰেন্দ্ৰ নাৰায়ণ বৰাই ঘোষণা কৰে। সভাত বিশিষ্ট লেখক নবীন কলিতা,অৱসৰপ্ৰাপ্ত শিক্ষয়ত্ৰী, লেখিকা বৈজয়ন্তী খাউণ্ড, সমাজকৰ্মী কিৰণ কুমাৰ নেওগ, নাট্যকৰ্মী পদুম বৰুৱা, সমাজকৰ্মী দেবেন বৰা, 'আপকু'ৰ জিলা সমিতিৰ কাৰ্যকৰী সভাপতি বাশ্বাৰ উল্লাহ মুজাদাদ্দি, সহকাৰী সম্পাদক নিপুল বৰা, জ্যেষ্ঠ সাংবাদিক নীলকমল শইকীয়া, জয়ন্ত বৰা, খাইৰুল ইছলাম, বৰুণ জ্যোতি নেওগ, সুৰজ কুমাৰ বৰা, ৰিতু নেওগ, হিমাংশু বৰা, ৰাজ জ্যোতি দাস, গাঁওপ্ৰধান নিপাংকৰ শইকীয়া, পদ্ম হাজৰিকা, জয়ন্ত কুমাৰ বৰা প্ৰমুখ্যে বহু ব্যক্তি উপস্থিত থাকে।

## শিৱসাগৰ জিলাত বিশ্ব মেলেৰিয়া দিৱস উদ্‌যাপন




**অমৃত কুমাৰ শৰ্মা, শিৱসাগৰ ঃ** শিৱসাগৰ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় বাহকজনিত ৰোগ নিয়ন্ত্ৰণ কাৰ্যসূচীৰ সহযোগত শিৱসাগৰ জিলাৰ অন্তৰ্গত ধিতাইপুখুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিশেষ কাৰ্যক্ৰমণিকাৰে বিশ্ব মেলেৰিয়া দিৱস উদ্‌যাপন কৰা হয়। উক্ত সভাত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু উপস্থিত ৰাইজৰ মাজত মেলেৰিয়া ৰোগৰ পৰা হাত সাৰি থাকিবলৈ ল'বলগীয়া সাৱধানতা আৰু এই ৰোগৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হয়। আনহাতে সভাত উপস্থিত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ শিৱসাগৰ জিলাৰ গণমাধ্যম বিশেষজ্ঞ অঞ্জুশ্ৰী ফুকন, বাহকজনিত ৰোগৰ জিলা পৰামৰ্শদাতা ডাঃ দেইজী কোঁৱৰ, মেলেৰিয়া পৰিদৰ্শক, নিৰীক্ষণ কৰ্মী আৰু শিক্ষাগুৰুসকলে সজাগতামূলক বক্তব্য ৰাখে। ইয়াৰ পাছতেই মেলেৰিয়াক মূল বিষয় হিচাপে লৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত মুকলি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে ম'হৰ প্ৰজনন ৰোধ কৰিবলৈ ঘৰৰ চৌপাশত পানী জমা হৈ থাকিবলৈ নিদিয়া, আঁঠুৱা আৰু বয়স অনুযায়ী ম'হ প্ৰতিৰোধক যেনে-বৈদ্যুতিক মেট, ধূপ-ধূনা, ইত্যাদি ব্যৱহাৰ কৰা, দীঘল হাতৰ কাপোৰ পিন্ধি ম'হৰ কামোৰৰ পৰা নিজকে সুৰক্ষিত কৰি ৰখা, মেলেৰিয়া ৰোগৰ লক্ষণে দেখা যদি দিয়ে তেন্তে ততালিকে তেজ পৰীক্ষা কৰা আৰু চিকিৎসা পৰামৰ্শ গ্ৰহণ আদি বিষয়সমূহ আলোচনা কৰা হয়।

# বিংশতিতম্ বাৰ্ষিক শিৱসাগৰ ব'হাগী উৎসৱত জনপ্ৰিয় অভিনেত্ৰী ড° গায়ত্ৰী মহন্তলৈ 'সমন্বয় শিল্পী বঁটা-২০২৫'



**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ ঃ** শিৱসাগৰৰ অন্যতম সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান 'সমন্বয় সাংস্কৃতিক গোষ্ঠী'ৰ উদ্যোগত আৰু সাধাৰণ জাতি সুৰক্ষা সন্মিলন-অসমৰ সৌজন্যত, যুৱ সাংবাদিক সন্থা-অসম শিৱসাগৰ জিলা সমিতি আৰু শিৱসাগৰবাসী ৰাইজৰ বিশেষ সহযোগত বিগত বৰ্ষসমূহৰ দৰে এইবাৰো শিৱসাগৰ দ'লপথ, বৰাট জুৱেলাৰীৰ সন্মুখত যোৱা ১৯ এপ্ৰিল, শনিবাৰে 'বিংশতিতম্ বাৰ্ষিক শিৱসাগৰ বহাগী উৎসৱ' সফলতাৰে সামৰণি পৰে। পুৱা সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ সভাপতি জিতেন কাকতিয়ে সমন্বয়ৰ পতাকা উত্তোলন কৰাৰ পাছতেই বিহুৱান উত্তোলন কৰে প্ৰাক্তন বিধায়ক তথা উদ্‌যাপন সমিতিৰ সভাপতি কুশল দুৱৰীয়ে। স্মৃতি তৰ্পণ কৰে যুটীয়া সম্পাদক ধ্ৰুৱ প্ৰসাদ শইকীয়াই। উদ্‌যাপন সমিতিৰ উপ-সভাপতি, জ্যেষ্ঠ সমাজকৰ্মী অনঙ্গ মোহন শৰ্মায়ে মঞ্চ মুকলি কৰাৰ পাছতেই উদ্‌যাপন সমিতিৰ যুটীয়া সম্পাদক প্ৰণৱ বৰুৱাই পৰিচালনা কৰা এক অনুষ্ঠানত ব'হাগী উৎসৱ উপলক্ষ্যে শিৱসাগৰ জিলাৰ ৭ গৰাকী জ্যেষ্ঠ নাগৰিকক উদ্‌যাপন সমিতিৰ তৰফৰ বিশেষ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। দিনৰ ১১ বজাত সমন্বয়ৰ কণীযুঁজ উদ্বোধন কৰে শিক্ষাবিদ, সমাজকৰ্মী লীলা গগৈয়ে। তাৰ পাছতেই শিৱসাগৰ জিলা ভিত্তিত চিত্ৰাংকণ, বিহুনাচ, ঢোলবাদন আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। চিত্ৰাংকণ প্ৰতিযোগিতাৰ 'ক' শাখাৰ প্ৰথম-দ্বিতীয়-তৃতীয় বিজয়ী প্ৰতিযোগী ক্ৰমে ৰিয়ান মুকুন্দ ৰাভা, মাইন আহান কাশ্যপ আৰু আদিত্য বৰা। নিচুকণি বঁটা লাভ কৰে ক্ৰমে চৰন্যা বড়া আৰু প্ৰিয়াংশু কামত। 'খ' শাখাৰ প্ৰথম-দ্বিতীয় আৰু তৃতীয় ক্ৰমে অনিৰ্বাণ গগৈ, আকাংক্ষা আলিয়া গগৈ আৰু দৰ্পিল ৰাজ গগৈ। নিচুকণি বঁটাপ্ৰাপ্ত ক্ৰমে চয়নিকা দাস আৰু নিধি ময়ুৰী গগৈ। বিচাৰকৰ বিশেষ বঁটা লাভ কৰে প্ৰত্যুষ প্ৰীতম গোহাঁইয়ে। বিহুনাচ প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান অধিকাৰ কৰে ক্ৰমে-আদিত্ৰী ঈশানী গগৈ, পাৰ্থবী দত্ত আৰু শিল্পা চেতিয়া। লগতে নিচুকণি বঁটা লাভ কৰে ঐশ্বৰ্য্য দাসে। 'খ' শাখাত প্ৰথম-দ্বিতীয়-তৃতীয় বিজয়ী প্ৰতিযোগী হ'ল ক্ৰমে--হৰ্ষিতা কোঁৱৰ, ৰিমঝিম গগৈ আৰু অৰণ্যা দত্ত। ঢোলবাদন প্ৰতিযোগিতাৰ 'ক' শাখাৰ বিজয়ী প্ৰতিযোগীসকল ক্ৰমে-মঙ্গলীময়ী বুঢ়াগোহাঁই, অভিজ্ঞান গগৈ, প্ৰান্তিক প্লাৱন চুতীয়া। আনহাতে 'খ' শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ক্ৰমে-টাইচেংমুং ফুকন, সান্নিধ্য নেওগ আৰু প্ৰাচুৰ্য্য কুমুদ দিহিঙীয়া। সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাৰ 'ক' শাখাৰ প্ৰথম-দ্বিতীয় আৰু তৃতীয় বিজয়ী প্ৰতিযোগী ক্ৰমে-প্ৰাপ্তি দত্ত, আইচেংফি ফুকন আৰু অৰ্পিতা চুম। 'খ' শাখাৰ প্ৰথম ৰিয়াস্মিতা বৰা, দ্বিতীয় ধৰিত্ৰী দাস আৰু তৃতীয় তুষ্টি ফুকন। ব'হাগী উৎসৱৰ লগত সংগতি ৰাখি আমন্ত্ৰিত হুঁচৰি দলৰ বিহু হুঁচৰি, জনগোষ্ঠীয় নৃত্যৰ লগতে গীত প্ৰদৰ্শন কৰা হয়। আনহাতে ২০ সংখ্যক শিৱসাগৰ ব'হাগী উৎসৱৰ বিশেষ কাৰ্যসূচী বঁটা প্ৰদান অনুষ্ঠান উদ্বোধন কৰে বিৰাংগনা সতী সাধনী ৰাজ্যিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতি প্ৰসাদ শইকীয়াই। ড° শইকীয়াই উদ্বোধনী ভাষণত তত্বগধুৰ বক্তব্য দাঙি ধৰে। উল্লেখযোগ্য যে, সংবাদদাতা তথা সমন্বয় সাংস্কৃতিক গোষ্ঠীৰ প্ৰতিষ্ঠাপক প্ৰধান সম্পাদক অমৃত কুমাৰ শৰ্মাই পৰিচালনা কৰা আৰু জনপ্ৰিয় মডেল তথা উদীয়মান অভিনেত্ৰী অংগশ্ৰী নেওগ বিশেষ অতিথি হিচাপে উপস্থিত থকা উক্ত অনুষ্ঠানতেই প্ৰায় পাঁচ শতাধিক সাংস্কৃতিকপ্ৰেমী ৰাইজৰ উপস্থিতিত অসমীয়া বোলছবি জগতৰ মোহময়ী অভিনেত্ৰী, সু-নৃত্যশিল্পী ড° গায়ত্ৰী মহন্তক সভাপতি তথা প্ৰাক্তন বিধায়ক কুশল দুৱৰীৰ নেতৃত্বত উদ্যোক্তাসকলে বিশিষ্ট চিত্ৰ-ভাস্কৰ্য তথা আলোকচিত্ৰ শিল্পী প্ৰয়াত মহেন্দ্ৰ নাথ কাকতি সোঁৱৰণী "সমন্বয় শিল্পী বঁটা-২০২৫" প্ৰদান কৰে। বঁটা গ্ৰহণ কৰি অভিনেত্ৰীগৰাকী আৱেগিক হৈ পৰাৰ লগতে এফাঁকি বিহু গীতেৰে সকলোকে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। আনহাতে বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়া 'সমন্বয় এনিশা'ত গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে জনপ্ৰিয় কণ্ঠশিল্পী পংকজ প্ৰাণ আৰু কণ্ঠশিল্পী লাস্যময়ী হাজৰিকায়ে। উল্লেখ্য যে, সাংস্কৃতিক সন্ধিয়া সমন্বয় এনিশাত প্ৰায় দুই সহস্ৰাধিক সংগীতপ্ৰেমী ৰাইজ উপস্থিত থাকে।

# শিৱসাগৰত আগন্তুক পঞ্চায়ত নিৰ্বাচন উপলক্ষে জিলা প্ৰশাসনৰ কঠোৰ নিষেধাজ্ঞা জাৰি

**শিৱসাগৰৰ পৰা অমৃত কুমাৰ শৰ্মা ঃ** জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ধাৰা (১৩৫)ৰ অধীনত আৰু অসম আবকাৰী বিধি, ২০১৬ অধীনত ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচন, ২০২৫ ৰ প্ৰথম পৰ্যায়ৰ ভোটদান অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত অসমৰ ৰাজ্যপালে ইয়াৰ দ্বাৰা কোনো ব্যক্তি বা ব্যক্তিৰ গোটক কোনো ধৰণৰ মাদক দ্ৰব্য ৰখা আৰু বিক্ৰী কৰা সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰিছে। সেই অনুসৰি শিৱসাগৰ জিলাতো ৩০-০৪-২০২৫ ইংৰাজী তাৰিখৰ বিয়লি ৪.৩০ ৰ পৰা ০২-০৫-২০২৫ ইংৰাজী তাৰিখৰ বিয়লি ৪.৩০ বজালৈ ৪৮ ঘণ্টাৰ সময়ছোৱাত জিলাখনৰ ভিতৰতে সকলো হোটেল, খাদ্য ঘৰ, ধাবা, দোকান বা আন যিকোনো ঠাইত, ৰাজহুৱা বা ব্যক্তিগত স্থানত একে প্ৰকৃতিৰ পদাৰ্থসমূহ বিতৰণ বা বিক্ৰীৰ ক্ষেত্ৰত বাধা আৰোপ কৰা হৈছে। লগতে ১১-০৫-২০২৫ তাৰিখে নিৰ্ধাৰণ ভোট গণনা প্ৰক্ৰিয়া শেষ নোহোৱালৈকে DRY DAY হিচাপে ঘোষণা কৰা হয়। DRY DAY ৰ সময়ছোৱাত সকলো বণ্ডেড ৱেৰহাউচ, IMFL ৰ খুচুৰা "OFF" আৰু "ON" দোকান, ক্লাব "ON", হোটেল "ON" আৰু দেশীয় সুৰৰ বিপণীসহ heritage liquor সমূহ বন্ধ থাকিব। তদুপৰি এই সময়ছোৱাত যিকোনো ব্যক্তিৰ দ্বাৰা সুৰা মজুতকৰণ কৰ্তন কৰা হ'ব আৰু অনুজ্ঞাপত্ৰবিহীন চৌহদত সুৰা সংৰক্ষণৰ ক্ষেত্ৰত আবকাৰী আইন অনুসৰি কঠোৰভাৱে বলবৎ কৰা হ'ব। এই আদেশ উলংঘাৰ ক্ষেত্ৰত অসম আবকাৰী আইন আৰু নিয়মৰ প্ৰাসংগিক বিধানৰ অধীনত আৰু নিৰ্বাচনী নিয়মৰ ধাৰা (১৩৫)ৰ বিধানৰ অধীনত মোকাবিলা কৰা হ'ব।

# শিক্ষক বিতুল কুমাৰ হাতীবৰুৱাৰ দেহাৱসান



**বুলমণি বৰি, লখিমপুৰ ঃ** লখিমপুৰ জিলাৰ ৰঙানদী সমষ্টিৰ অন্তৰ্গত ১ নং ডিজু পথাৰ গাঁৱৰ নিৱাসী শিক্ষক বিতুল কুমাৰ হাতী বৰুৱাৰ ৩০-০৪-২০২৫ ৰ পুৱতি নিশা ৩-৩০ মিনিটত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৫২ বছৰ। তেখেতৰ মৃত্যুত সমগ্ৰ ৰঙানদী অঞ্চলত শোকৰ ছাঁ পৰিছে। অতি পৰিতাপৰ বিষয় ১৯৯৬ চনতে স্থাপন হোৱা ডিজু চাহ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়খন পৰ্যন্ত প্ৰাদেশিকীকৰণ নহ'ল। প্ৰায় পাঁচ মাহ ধৰি তেখেত এক জটিল ৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ GMCH ত চিকিৎসাধীন হৈ আছিল যদিও অৰ্থৰ অভাৱত ১৬-০৪-২০২৫ তাৰিখে ঘৰলৈ লৈ অহা হৈছিল। উল্লেখযোগ্য যে ২০২৫ বৰ্ষত ডিজু চাহ জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত মুঠ ৭৫ গৰাকী শিক্ষাৰ্থীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। তাৰে ১১ গৰাকী শিক্ষাৰ্থীয়ে ষ্টাৰ মাৰ্ক আৰু ১১৪ জন শিক্ষাৰ্থীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। বিজ্ঞান ৪৭ গৰাকী অংক ৭ গৰাকী অসমীয়া ১১ গৰাকী সমাজ বিজ্ঞান ১৮ গৰাকী ভূগোল ২ গৰাকী ইংৰাজী ২ গৰাকী হিন্দী বিষয়ত ২ গৰাকী শিক্ষাৰ্থীয়ে লেটাৰ মাৰ্ক পাবলৈ সক্ষম হৈছে। এনে এখন বিদ্যালয়ৰ শিক্ষক হৈ বিনা বেতনে উন্নত চিকিৎসাৰ অভাৱত শিক্ষকৰ মৃত্যু বৰ অসহনীয়। এই বিদ্যালয়খন চৰকাৰৰ দৃষ্টিগোচৰ হওক যাতে বিদ্যালয়খনত থকা বাকী বৰ্তমান মুঠ ১১ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীৰ এনে দুৰৱস্থা নহওক। এইয়া চৰকাৰৰ ওচৰত বিনম্ৰ অনুৰোধ।

# কাব্য গ্ৰন্থ ঃ অনুভৱৰ পৃষ্ঠাত শব্দৰ বৰষুণ

## কবি ঃ বিশ্বজিৎ সূত

**■ ললিত নাথ**
ইটাখোলা, শোণিতপুৰ

তৰুণ প্ৰজন্মৰ সম্ভাৱনাময় কবি বিশ্বজিৎ সূতৰ প্ৰথম কাব্যসংকলন 'অনুভৱৰ পৃষ্ঠাত শব্দৰ বৰষুণ' অলপতে বিশ্বনাথ চাৰিআলিৰ ৰ'দ প্ৰকাশনে প্ৰকাশ কৰি উলিয়াইছে। চল্লিশটা কবিতাৰ একত্ৰ সংকলনটিত কবিৰ প্ৰকৃতি-প্ৰীতি, সমাজ চেতনা, ইতিহাস চেতনা, ঋতুবৈচিত্ৰ্যতা, জনজীৱনৰ ইতিহাস, আত্মজিজ্ঞাসা, সময়বীক্ষা আৰু মানৱীয় প্ৰমূল্য আদিৰ মনোভাৱ কবিতাগুচ্ছৰ মাজত বিশেষভাৱে লক্ষণীয়। ভাষাৰ প্ৰাঞ্জলতা, শাব্দিক ব্যঞ্জনা আৰু চিন্তন-মননে কাব্যভাৱনাক সমৃদ্ধ কৰি বৈশিষ্ট্যপূৰ্ণ কৰি তুলিছে। ব্যক্তিগত অনুভৱ আৰু সমাজৰ বহুমাত্ৰিক পৰিস্থিতিৰ সংমিশ্ৰণত গঠিত সকবিতাসমূহে পাঠকৰ মনত গভীৰভাৱে ৰেখাপাত কৰিবলৈ সক্ষম হৈছে।

বিশ্বজিৎ সূতৰ কবিতাসমূহ আত্মানুসন্ধানৰ এক সাহসী প্ৰচেষ্টা। এই কবিতাসমূহে পাঠকক নিজকে, সমাজ আৰু সময়ক নতুন দৃষ্টিৰে চাবলৈ উৎসাহিত কৰিছে।

প্ৰকৃতি, বসন্তৰ বৰষুণ, ফাগুন, শাওণ, শীত আৰু বাৰিষাৰ আগমণৰ দৰে কবিতাবোৰত কবিয়ে প্ৰকৃতিৰ অপৰূপ ৰূপৰ দৰ্শনৰ জৰিয়তে আত্মিক একতাৰ গভীৰ অনুভৱ প্ৰকাশ কৰিছে।

সেইদৰে নাৰী, মানৱতা, যুদ্ধ, গণতন্ত্ৰ, ক'ৰণা ভাইৰাছ আদি কবিতাবোৰত কবিয়ে সমাজৰ সংকট, মানৱীয় প্ৰমূল্যবোধ আৰু যুগচেতনাক হৃদয়স্পৰ্শী ৰূপত তুলি ধৰিছে। ইয়াত আধুনিক সময়ৰ বিভ্ৰান্তি, বেদনা আৰু আশা-আকাংক্ষাৰ এক অপূৰ্ব সমন্বয় ঘটিছে। সংস্কৃতি, ইতিহাস চেতনাৰ সৈতে কবিৰ আত্মিক সংযোগ সুস্পষ্ট হৈ উঠিছে শইচ পথাৰৰ মানুহ, বড়াৰ পো, বিশ্বনাথ, বিপ্লৱী শিল্পী বিষ্ণুৰাভা আদি কবিতাত।

অন্যহাতেদি তুমি আৰু মই', 'মোৰ হৃদয়ৰ শূন্যতা', 'মনোভাৱনা', 'অপাৰগ', আৰু 'সোঁৱৰণীৰ পৃষ্ঠাত স্মৃতিবোৰ'-শীৰ্ষক কবিতাসমূহত কবিৰ অন্তৰৰ বেদনা, অতীতৰ সোঁৱৰণি আৰু চিন্তা-বিচিত্ৰা অত্যন্ত গভীৰভাৱে প্ৰকাশ পাইছে।

'অনুভৱৰ পৃষ্ঠাত শব্দৰ বৰষুণ' নামৰ কাব্যগ্ৰন্থখন বিশ্বজিৎ সূতাৰ সংবেদনশীল অনুভৱ আৰু সৃজনশীল কাব্যিক শক্তিৰ প্ৰতিফলন। কেতিয়াবা ৰোমাণ্টিক




আৱেগত সিঞ্চিত, কেতিয়াবা গভীৰ অন্তৰ্মুখী ধ্যানত নিমগ্ন, আৰু কেতিয়াবা তীক্ষ্ণ সমাজ-সচেতনতাৰে উদ্দীপ্ত এই কবিতাবোৰে পাঠকক নিজৰ অন্তৰৰ গভীৰতম স্তৰলৈ লৈ যায়। কবিতাসমূহত গ্ৰাম্য সমাজচেতনাৰ সামান্তৰালকৈ বাস্তৱ চেতনাৰো স্পষ্ট ৰূপত উদ্ভাসিত হৈছে। ভাষাৰ পৰিপক্কতা, অনুভৱৰ গভীৰতা আৰু বিষয়বস্তুৰ বৈচিত্ৰ্যই গ্ৰন্থখনক আধুনিক অসমীয়া কাব্যসাহিত্যৰ এক উল্লেখযোগ্য সংযোজন হিচাপে উজ্বল কৰি তুলিব। সাম্প্ৰতিক সময়ৰ অসমীয়া কবিতাক সমৃদ্ধ কৰিব পৰা কবিতাৰ সকলো আহিলা কবি বিশ্বজিৎ সূতৰ কবিতাত বিদ্যমান।

**ম'বাইল ঃ** ৯৯৫৪১-৩৯৪৯৩

# অনাকাংক্ষিত ভৱিষ্যত

**■ প্ৰাণ প্ৰতিমা বড়া**
গুৱাহাটী

'এ মাই মোক খাবলৈ কিবা অলপ দে না। এ মাই কিবা অলপ দে না।'
অহ্‌হহ কি আচৰিত। দুহাত মেলি ভিক্ষা খুজি থকাজন দেখোন মই। অনৈতিকভাৱে হ'লেও অগাধ সম্পত্তিৰ মালিক হৈও আজি মই সুখ বিচাৰি হাঁহাকাৰ কৰিছোঁ। জীৱনৰ বিয়লিবেলাত দেহাৰ শক্তি কমি অহাৰ লগে-লগে মনৰো শক্তি কমি আহিছে। মই শংকিত হৈ পৰিছোঁ। যোৱা নিশাত দেখা ভয়ানক সপোনটো সপোনেই আছিল নে? নে মোৰ অনাকাংক্ষিত ভৱিষ্যত??

**ম'বাইল ঃ** ৭৩৯৯৯-২৪৬৫৮

# বলিউডৰ জনপ্ৰিয় অভিনেতা অতুল কুলকৰ্ণীৰ সৈতে এক অন্তৰংগ আলাপ

হিন্দী ছবি, মঞ্চ আদিত বলিষ্ঠ চৰিত্ৰত অভিনয় কৰা জনপ্ৰিয় অভিনেতা অতুল কুলকৰ্ণীৰ সৈতে ম'বাইল ফোন যোগে হোৱা এক অন্তৰংগ আলাপৰ সম্পাদিত ৰূপ পাঠকৰ বাবে আগবঢ়োৱা হ'ল ঃ

■ **হিন্দী ছবি জগতলৈ আপোনাৰ প্ৰৱেশ কেনেকৈ হৈছিল?**

**অতুল কুলকৰ্ণী ঃ** মই প্ৰথমে নাটকত অভিনয় কৰিছিলো। মই 'গান্ধী বিৰুদ্ধ দাণ্ডী' বুলি এখন নাটকত অভিনয় কৰিছিলো। এই নাটকখনত অভিনয় কৰাৰ কথা হিন্দী ছবি জগতৰ জনপ্ৰিয় অভিনেতা কমল হাছানে শুনিছিল আৰু মোক 'হে ৰাম' ছবিখনত অভিনয়ৰ অফাৰ দিছিল। হে ৰাম ছবিখন মই অভিনয় কৰা প্ৰথম হিন্দী ছবি।

■ **আপোনাৰ শিক্ষাগত অৰ্হতাৰ বিষয়ে অলপ কওঁকচোন?**

**অতুল কুলকৰ্ণী ঃ** মই ইংৰাজী বিষয়ত অনাৰ্ছ লৈ বি. এ ডিগ্ৰী লাভ কৰিছোঁ। তাৰ পিছত অভিনয় প্ৰশিক্ষণৰ বাবে Natioal School Of Drama লৈ গুচি গৈছিলোঁ।

■ **অভিনয় জগতলৈ আহোঁতে আপোনাৰ পিতৃ-মাতৃৰ অৰিহণা নিশ্চয় যথেষ্ট আছে। আপোনাৰ পিতৃ-মাতৃৰ বিষয়ে অলপ কওঁকচোন?**

**অতুল কুলকৰ্ণী ঃ** মোৰ দেউতাৰ নাম শ্ৰী সুধীৰ কুলকৰ্ণী আৰু মাৰ নাম শ্ৰীমতী সুনীতা কুলকৰ্ণী। মোৰ মা-দেউতাই বিচৰা নাছিল মই অভিনয় কৰাটো। এই দিশত তেওঁলোকৰ কোনো অৰিহণা নাছিল।

■ **সম্প্ৰতি নতুন প্ৰজন্মৰ কোনবোৰ কথাই আপোনাক চিন্তিত কৰে?**

**অতুল কুলকৰ্ণী ঃ** নতুন প্ৰজন্মৰ কোনো কথাই মোক চিন্তিত নকৰে। নতুন প্ৰজন্ম যথেষ্ট Confident আৰু Knowledgable. যি আগৰ প্ৰজন্ম তেওঁলোকে পিছৰ প্ৰজন্মৰ পৰা শিকাটো উচিত। পুৰণি প্ৰজন্মই এইটো ক'ব নালাগে যে আমি কিমান শুদ্ধ আছিলোঁ আৰু তোমালোক কিমান ভুল। কিয়নো পিছৰ প্ৰজন্ম যিয়েই নহওঁক যেনেকুৱাই নহওঁক সেয়া আমিয়েই তৈয়াৰ কৰিছোঁ। তেওঁলোকৰ সম্পূৰ্ণ দায়িত্ব আমাৰ ওপৰত।

■ **আপোনাৰ অসাধাৰণ অভিনয় প্ৰতিভাৰ বাদে সাহিত্য, সংগীত বা অন্য কোনো বিষয়ত আপোনাৰ ৰুচি আছে নেকি?**

**অতুল কুলকৰ্ণী ঃ** হয় মই পঢ়ি আৰু বিভিন্ন ঠাই ভ্ৰমণ কৰি ভাল পাওঁ। মোৰ নিজৰ Quest নামৰ এটা NGO আছে। মোৰ এই Quest নামৰ NGO টোৱে Educatuon ৰ ওপৰত কাম কৰি আছে। এই Quest নামৰ NGO টোৰ মই চৈধ্য বছৰ ধৰি President হৈ আছিলোঁ। এতিয়া বৰ্তমান Retire হ'লো।

■ **অকল শিক্ষা আৰু সংস্কৃতিয়ে এটা জাতিৰ উত্তৰণৰ একমাত্ৰ পথ বুলি ভাবে নেকি?**

**অতুল কুলকৰ্ণী ঃ** এই জাতিটো ক'ৰ পৰা আহিল মই বুজি পোৱা নাই। কিয়নো প্ৰথমে আমি সকলো মনুষ্য। যদি মনুষ্যৰ বিকাশ হ'ব লাগে তেতিয়াহ'লে এই দিশত শিক্ষাৰ যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা আছে।

■ **প্ৰত্যেক অভিনেতাৰ এক নিজস্ব অভিনয় ষ্টাইল থাকে। আপোনাৰ অভিনয়ত আপুনি কোনটো ষ্টাইল লক্ষ্য কৰে?**

**অতুল কুলকৰ্ণী ঃ** এই জগতত যিমান অভিনেতা আছে সিমানেই ষ্টাইল আছে। এনেধৰণৰ কোনো Category মই মানি নচলো। যেনেকুৱা আপোনাৰ ব্যক্তিত্ব সেই হিচাপেই আপোনাৰ অভিনয়ত সেয়া প্ৰতিফলিত হয়।

■ **আপুনি যশস্বী পৰিচালক মধুৰ ভাণ্ডাৰকাৰৰ দ্বাৰা এক সত্য কাহিনীৰ ওপৰত নিৰ্মাণ কৰা 'চান্দনী বাৰ' ছবিখনত এক চৰিত্ৰত অভিনয় কৰিছিল। চান্দনী বাৰ ছবিখনত কৰা অভিনয় অভিজ্ঞতাৰ বিষয়ে অলপ কওঁকচোন?**

**অতুল কুলকৰ্ণী ঃ** সেয়া কেৱল এটা কাহিনী তেনে নহয়। বহু কাহিনী মিশ্ৰিত কৰি সেই 'চান্দনী বাৰ' ছবিখনৰ কাহিনীটো তৈয়াৰ কৰা হৈছিল। ছবিখনত মই অভিনয় কৰাৰ অভিজ্ঞতাটো যথেষ্ট ভাল আছিল। Realistic ছবি আছিল চান্দনী বাৰ ছবিখন।

■ **আপুনি অভিনেতা নোহোৱা হ'লে কোনটো পেছা বৃত্তি হিচাপে ল'লেহেঁতেন?**

**অতুল কুলকৰ্ণী ঃ** নাজানো। মই আৰু কিবা বেলেগ কাম কৰাই নাই।

■ **যদি অসমীয়া ছবিত আপোনাক অভিনয় কৰাৰ সুযোগ দিয়া হয় আপুনি অভিনয় কৰিবনে?**

**অতুল কুলকৰ্ণী ঃ** নিশ্চয়। মই আমাৰ দেশৰ প্ৰায় সাতটা ভাষাত কাম কৰিছোঁ। যদি কোনো অসমীয়া ছবিৰ অফাৰ মোলৈ আহে মই নিশ্চয় অসমীয়া ছবিত অভিনয় কৰিম।

■ **আপোনাৰ প্ৰিয় খাদ্য?**

**অতুল কুলকৰ্ণী ঃ** যি স্থানলৈ মই ফুৰিবলৈ যাওঁ তাৰ স্থানীয় খাদ্য খাই মই ভাল পাওঁ।

■ **আপোনাৰ প্ৰিয় ৰং?**

**অতুল কুলকৰ্ণী ঃ** এনেকৈ ক'ব নোৱাৰিম।

■ **আপোনাৰ হিন্দী ছবি জগতৰ প্ৰিয় অভিনেতা-অভিনেত্ৰী কোন?**


**অতুল কুলকৰ্ণী ঃ** দৰাচলতে প্ৰিয় অভিনেতা-অভিনেত্ৰী বুলি নহয় তেওঁলোকে কৰা চৰিত্ৰসমূহ ভাল লাগে। এনেকৈ কোনো বিশেষ প্ৰিয় অভিনেতা-অভিনেত্ৰী বুলি মোৰ নাই।

■ **হিন্দী ছবিত এতিয়ালৈকে আপুনি অভিনয় কৰা সংলাপৰ ভিতৰত আপোনাৰ প্ৰিয় সংলাপ কোনটো?**

**অতুল কুলকৰ্ণী ঃ** মই অভিনয় কৰা সকলো ছবিৰে সংলাপ বেলেগ বেলেগ। মই অভিনয় কৰা ছবিৰ ভিতৰত মোৰ সকলোতকৈ প্ৰিয় সংলাপ কোনটো এই প্ৰশ্নটোৰ কোনো উত্তৰ মোৰ হাতত নাই (হাঁহি)। কিয়নো এনেকুৱা নহয়। মই প্ৰায়ে ভাবো যে এই প্ৰশ্নটো যিকোনো অভিনেতাৰ বাবে উচিত নহয়। সকলোতকৈ প্ৰিয় সংলাপ কোনটো এই কথাটো কোৱাটো খুবেই টান।

■ **আপোনাৰ পত্নী তথা পাৰিবাৰিক জীৱনৰ বিষয়ে অলপ কওঁকচোন? আপোনাৰ পত্নীয়ে আপোনাৰ অভিনয় জীৱনত কেনেকৈ উৎসাহ যোগায়?**

**অতুল কুলকৰ্ণী ঃ** মোৰ পত্নীৰ নাম গীতাঞ্জলী কুলকৰ্ণী। তেওঁৰো এগৰাকী অভিনেত্ৰী।



সেইবাবে মোৰ Naturally যি কামেই চায় বা যি Script য়েই পঢ়ে তাত তেওঁৰ Input টোৰ যথেষ্ট ভূমিকা থাকে।

■ **আপোনাৰ আদৰ্শ ব্যক্তি?**

**অতুল কুলকৰ্ণী ঃ** এনেকৈ মই কাকো নিজৰ আদৰ্শ নামানো। প্ৰত্যেক ব্যক্তিৰ মাজত কিবা নহয় কিবা এক দোষ থাকে। মই ভাবো কাকো নিজৰ আদৰ্শ হিচাপে লৈ আগবাঢ়িব নালাগে।

■ **জীৱন সম্পৰ্কে আপোনাৰ অভিমত?**

**অতুল কুলকৰ্ণী ঃ** একো বিশেষ নাই। কেৱল Simple. যেনেকৈ আজি আছা তেনেকৈ জীয়াই থাকা। ভীমৰাও ৰামজী আম্বেদকাৰে আমাৰ সংবিধানৰ প্ৰথম অনুচ্ছেদত যিটো লিখিছে যে Freedom, Equality, Fetarnety অৰ্থাৎ স্বতন্ত্ৰতা, সমতা আৰু বন্ধুত্ব এয়াই মোৰ জীৱনৰ Philosophy.

*সাক্ষাৎকাৰ গ্ৰহণ কৰোতা*
**কুলদীপ শইকীয়া**
ৰত্নপুৰ, পলিৰোড
(কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত) নগাঁও
**ম'বাইল ঃ** ৮৪৭৪০-৯৩১৬৮

# সেউজ প্ৰাকৃতিক পৰিৱেশৰ মাজত সাহিত্য-সংস্কৃতিৰ সুবাস

## গোমোঠাগাঁৱত 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ 'সাহিত্যৰ মৌপান চোতালে চোতালে'




**ষ্টাফ ৰিপৰ্টাৰ, নগাঁও ঃ** এক মনোৰম প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ পৰিৱেশত যোৱা ২৭ এপ্ৰিলত বিয়লি সাহিত্যৰ সুবাস বুটলিবলৈ সমৱেত হ'ল অজস্ৰ সাহিত্যানুৰাগী। নগাঁও চহৰৰ নিকটৱৰ্তী গোমোঠাগাঁওস্থিত 'কৰণ-কৰিণা' ভৱন প্ৰাংগণত তথা এটি প্ৰকৃতিপ্ৰেমী পৰিয়ালৰ অশেষ শ্ৰমৰ বিনিময়ত গঢ় লৈ উঠা বিভিন্ন প্ৰজাতিৰ গছ-গছনি, ফুলেৰে সুশোভিত এখনি সেউজ বাগিচাৰ মাজত অনুষ্ঠিত হয় এক বিশেষ সাহিত্যানুষ্ঠান। দৰাচলতে, এয়া আছিল 'অসম সাহিত্য সভা'ৰ অন্যতম সক্ৰিয় শাখা 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ উদ্যোগত 'সাঁকো আলোচনা চক্ৰ'ৰ ব্যৱস্থাপনাত প্ৰতি ইংৰাজী মাহৰ শেষৰ দেওবাৰে অনুষ্ঠিত হৈ অহাৰ দৰেই এইখন আছিল ২৭ সংখ্যক বৈঠক। 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ উপ-সভাপতি কিৰণ নেওগৰ বাসগৃহ প্ৰাংগণত পৰিয়ালবৰ্গৰ আতিথ্যত অনুষ্ঠিত 'সাহিত্যৰ মৌপান চোতালে চোতালে' শীৰ্ষক এই বিশেষ সাহিত্যানুষ্ঠানত সাহিত্যপ্ৰেমী সকলৰ উৎসাহ-উদ্দীপনা আছিল লক্ষণীয়। অৱসৰপ্ৰাপ্ত শিক্ষক, তথা সমাজকৰ্মী দয়াৰাম কলিতাই এগছি বন্তি প্ৰজ্বলনেৰে মুকলি কৰা এই অনুষ্ঠানটো সঞ্চালনা কৰে 'সাঁকো আলোচনা চক্ৰ'ৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষা ৰিন্টু দাসে। 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ যুটীয়া সম্পাদক জয়ন্ত বৰাই আঁত ধৰা বহুমুখী প্ৰতিভা বিকাশ প্ৰদৰ্শনৰ এখনি মঞ্চস্বৰূপ এই অনুষ্ঠানত শাখাৰ সভাপতি গোলাপ বৰা, শাখাৰ প্ৰাক্তন সভাপতিদ্বয় সত্যপ্ৰসাদ শৰ্মা,থুলেশ্বৰ বৰা, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক পুতুল শৰ্মা, সমাজকৰ্মী দয়াৰাম কলিতা আদিয়ে মঞ্চ শুৱনি কৰা এই অনুষ্ঠানত 'বাধা', 'নিৰিবিলি', 'সবাফুল' আদি উপন্যাস ৰচনাৰে নৱ প্ৰজন্মৰ মাজত জনপ্ৰিয় হৈ পৰা কৌশিক নন্দন বৰুৱা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰণৱ গোস্বামী, অধ্যক্ষ মাধুৰ্য কমল হাজৰিকা, বিহুশিল্পী ৰিতু গোস্বামী, সমাজকৰ্মী বিভূতি প্ৰতীক ভট্টাচাৰ্য, সাহিত্যকৰ্মী প্ৰদীপ শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক পুনিৰাম শইকীয়া প্ৰমুখ্যে কেইবাগৰাকী গণ্য-মান্য ব্যক্তিক আদৰণি জনোৱা হয়। কৰিণা নেওগৰ সত্ৰীয়া নৃত্য প্ৰদৰ্শনেৰে মুকলি হোৱা এই অনুষ্ঠানত লেখিকা অৰুণিমা বৰা, নিজৰা শইকীয়াই এটাকৈ প্ৰবন্ধ পাঠ, প্ৰদীপ শইকীয়া, ৰূপক বৰা, মামণি শৰ্মা ভট্টাচাৰ্য, তৃপ্তি ৰেখা কাকতি, দীপিকা বৰা, নীলাক্ষী কাকতি বৰা, কৌশিক নন্দন বৰা, গোলাপ বৰা (ধন), ময়ূৰ কুমাৰ বৰা, কুমুদ চন্দ্ৰ বৰা, প্ৰতিভা ভাগৱতী, দিপালী দেৱী, ৰুবী বৰা, স্মৃতা শইকীয়া, পৰ্ণা বশিষ্ঠ, জুৰণি প্ৰিয়া বৰা, জীৱন বৰা, দিয়া নেওগ, কল্পিতা শইকীয়া প্ৰমুখ্যে একুৰিৰো অধিক কবিয়ে কবিতা পাঠেৰে সাহিত্যৰ সুবাস বিলায়। সেইদৰে হৰ্ষিল গায়ন, বৰ্ষা জ্যোতি, সুকন্যা শইকীয়া, দৃষ্টিশিখা শইকীয়া, সংগীতা বৰা আদিয়ে কবিতা আবৃত্তিৰে মুখৰিত কৰি তোলা পৰিৱেশটো নৃত্য পটিয়সী সংগীতা বৰাই নৃত্য পৰিৱেশন, বৰ্ষীয়ান মহিলা তথা গায়িকা তগৰ গোস্বামী, লেখিকা-গায়িকা জেউতি হাজৰিকা, লোচন প্ৰিয়াই এটিকৈ গীত পৰিৱেশনেৰে অধিক উজ্জীৱিত কৰি তোলে। অনুষ্ঠানৰ মাজতে বিশিষ্ট নাট্যশিল্পী কমলেশ শইকীয়াই নিজৰ অনুভৱ ব্যক্ত কৰাৰ মাজতে নাটকীয় সংলাপ প্ৰক্ষেপন কৰি আৰু ভাস্বত প্ৰতীম শইকীয়াই যোগাসন প্ৰদৰ্শনেৰে এক অনন্য মাত্ৰা প্ৰদান কৰে। সাহিত্যৰ সাধক ক্ৰমে বিৰিঞ্চি বৰা, নয়ন জ্যোতি নেওগ, ৰমেশ ভৰালী, অজিত শৰ্মা, অমিয়া গোস্বামী, পবী নেওগ, মিনা বৰুৱা, হৰ বৰা,জয় নেওগ, সোনমণি বৰা, মিত্ৰ কমল বৰা, দিলীপ শইকীয়া, অৰূপ বৰা, অকান্তি বৰা, সাংবাদিক ক্ৰমে নিপুল বৰা, বৰুণ জ্যোতি নেওগ, ৰিতু নেওগ, হিমাংশু বৰা প্ৰমুখ্যে যথেষ্ট সংখ্যক লোকৰ উপস্থিতিত অনুষ্ঠিত এই অনুষ্ঠানৰ মাজতে এখনি সুন্দৰ কেনভাছ অংকন কৰি প্ৰদৰ্শন কৰে বিশিষ্ট চিত্ৰশিল্পী টিকেন্দ্ৰজিৎ শইকীয়াই। উল্লেখ্য যে 'কলংপৰীয়া শাখা সাহিত্য সভা'ৰ সম্পাদক দীপাংকৰ ভূঞা আৰু 'সাঁকো আলোচনা চক্ৰ'ৰ সম্পাদক বসন্ত কৌশিক ভাগৱতীৰ বিশেষ সহযোগিতাত অনুষ্ঠিত এই অনুষ্ঠানৰ মাজতে শাখাৰ এটি দীৰ্ঘদিনীয়া অভাৱ পূৰণৰ উদ্দেশ্যে শাখালৈ এটি শব্দযন্ত্ৰ আগবঢ়াই কৃতাৰ্থ কৰাৰ বাবে কিৰণ নেওগক শাখাৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ মাজতে কিৰণ নেওগৰ একমাত্ৰ পুত্ৰ, চিত্ৰকৰ, প্ৰতিভাবান খেলুৱৈ কৰণ নেওগৰ অকাল বিয়োগত সভাই শোক প্ৰকাশ কৰি তেওঁৰ বিদেহ আত্মাৰ সদগতি কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়।

# কুলিৰ মাতত ব’হাগ নাহে

**নাছিৰ আহমেদ**
শিমলাবাৰী গোৱালপাৰা

কুলিৰ মাতত ব’হাগ নাহে,
কেতেকীয়ো নিবিনায়,
ৰাইজাই নকৰে অসমীয়া ডেকা-গাভৰুৰ গা,
ঢুলীয়াৰ গমগমীয়া ঢোলৰ চাপৰ শুনি
গছৰ তল বা মুকলি পথাৰত
নামি নাহে পখিলীৰ জাক।
মঞ্চে মঞ্চে এইবোৰ কিহৰ বলিয়ালি?
চাল্লা, বেইমানহঁত।
ব’হাগীকো গোগ্ৰাসে গিলিলি।
এতিয়া ব’হাগৰ আকাশখনো এটি শুকান জেওৰা হ’ল -
পুবাৰ কোমল ৰ’দ কাচলি, স্নিগ্ধ শীতল বতাহ জাক
আৰু গা-মন জুবুৰিয়াই দিয়া শান্তিৰ বৃষ্টি-ধাৰা আৰু
অশান্ত হৃদয় শান্ত কৰা ব’হাগ বিহুটিয়ো
ধনাঢ্য পৰিয়ালৰ ক’লা হাতোৰাত কুক্ষিগত হ’ল।
ককাইটি অ’
এইবেলিও নাহিবি নেকি
যুদ্ধৰ সাজেৰে সাজিকাচি?
ৰাতিৰ ভিতৰতে বৌটিও নিদিব জানো
তোৰ কঁকালত কবচ পিন্ধাই আৰু
হাতত নিদিবনে হেংদাং তুলি?
সময়যে একেবাৰে নাই।
আহা আমি সকলোৱে যাওঁ আগবাঢ়ি-
হাতে হাত ধৰি, কান্ধত কান্ধ মিলাই
ব’হাগক ওভোতাই আনো।
ব’হাগীক ন-সাজেৰে সজাই পৰাই
প্ৰকৃতিৰ বাৰে-বৰণীয়া ৰং-ৰস-ৰূপ-সৌন্দৰ্যৰ বননিত,
শস্য-শ্যামলা সেমেকা ৰাতি
ৰঙালী বিহুৰ নৃত্য-গীতেৰে প্ৰাণ সঞ্চাৰ কৰোঁ।
ঢুলীয়াৰ টাক ধিনা ধিন ঢোলৰ চাপৰত
হৃদয় হৰ্ষোল্লাসেৰে ভৰি পৰক।
কুলি-কেতেকীৰ মধুৰ সুৰৰ ঝংকাৰত ব’হাগ নামি আহক।

**ম’বাইল ঃ ৯১০১৪-৬৫৮০৫**

# আৰু কত কাল থাকিম ধিয়াই

**ববীতা মিশ্ৰ শৰ্মা**
নগাঁও, আমোলাপট্টি

মৰাসুঁতিৰ জীয়া ঢলত উটি
দুখবোৰ বুকুত সাৱটি
পোৰা হৃদয়ৰ যান্ত্ৰণাত
ভাৰাক্ৰান্ত মই,
বুকুত ৰঙা কবিতা এটা লৈ
হতাশাৰ মহাব্যাধি
কঢ়িয়াই ফুৰো
হৃদয়ৰ গভীৰৰ পৰা
গভীৰলৈ;

উৰিবলৈ শিকোৱা
আকাশখন থৈ
কণ্টকময় জীৱনত
জীয়াই আছোঁ
সময়ৰ প্ৰত্যাবৰ্তন চাবলৈ।

সময়ে হুহুৱাই
সময়ে কন্দুৱাই
জীৱনে কিনো বিচাৰি পায়,
সপোনৰ পিছে পিছে গৈ
সপোনে কিনো দেখুৱায়;

সময়ৰ চকৰি ঘূৰুৱাই
স্পন্দিত বৰ্তমানৰ
নিবিড় আলিংগনত
জীৱনৰ সমস্ত দুখ যান্ত্ৰণাৰ
শৰশয্যা পাতি
সময়ৰ আঁচলে থৈছে শুৱাই,
মোৰ জীৱনৰ অম্লান জ্যোতি
আৰু কত কাল
থাকিম ধিয়াই ...।

# ঈশ্বৰৰ পাঠশালা

**অনন্ত কুমাৰ ভূঞা**
লখিমপুৰ

চলন্ত পৃথিৱীত অনন্ত সমস্যাৰ
জ্বলন্ত সন্দিহান বকুত বান্ধি
সংশয় সংকোচ এৰি
ঈশ্বৰক লগ পোৱাৰ সংকল্প লৈছোঁ।
এদিন তীৰ্থভূমিত ভুমুকি মাৰিম
ঈশ্বৰৰ পাঠশালাত আদিপাঠ পঢ়িম
আধ্যাত্মিক জ্ঞানৰে হৃদয় জুৰাম
পুলকিত হ’ব ধূসৰিত মন।

প্ৰজ্ঞানৰ যাত্ৰা পথত ভৰি দিম
ঈশ্বৰক বহু প্ৰশ্ন সুধিম,
ঈশ্বৰে মানুহৰ সৃষ্টি নে
মানুহক ঈশ্বৰে সৃষ্টি কৰিছে
সেই জ্ঞানৰ টুকুৰা খৰৰ আদৰিম।

ধৰ্ম্মৰ উদ্দেশ্য কি
বিশৃংখল সৃষ্টি নে সমন্বয়ৰ বৃষ্টি
বিভেদ বিস্তাৰিত নে
প্ৰভেদৰ হাবিয়াস বৃদ্ধি
সমতাৰ মমতা ক’ত বহ্নিমান?

এনে বহু প্ৰশ্ন কৰিম
গৰম বতাহত মগজু কিয় গ’লে
উত্তাপত মন কিয় উত্তেজিত হয়
সততাৰ ওজন কিমান
কৃত্ৰিম বুদ্ধিমত্তাৰ আধাৰ বিচাৰি চাম
ভিন্ন প্ৰশ্নৰ উত্তৰ বিচাৰিম।
অৱতাৰী পুৰুষৰ ভেশচন কিয়
ধৰ্ম সাম্ৰাজ্য আটকধুনীয়া কিয়
ধৰ্ম কিয় ভিন্ন মতবাদেৰে সৃষ্টি হয়।
সৃষ্টিকৰ্ত্তা এজনেই,
তেন্তে ধৰ্ম্মৰ শব্দবোৰ
কিয় অকোৱা-পকোৱা জটিল,
ইয়াৰো উত্তৰ বিচাৰিম।

অনন্ত কোটি ব্ৰহ্মাণ্ডৰ সৃষ্টি কাৰ
নিৰাকাৰ স্থিতিয়েই ঈশ্বৰৰ অস্তিত্ব
এই কথা সেই পঢ়াশালীত পাঠ আওৰাম
ধৰ্ম শিক্ষাৰে শিক্ষিত হ’ম
গ্লানি ম্লান পৰিব সন্মান বাট মুকলি হ’ব।
চমৎকাৰৰ বন্ধ দুৱাৰ খুলিম
সীমাহীন জ্ঞান বুটলিম,
মানৱতাৰ সংজ্ঞা পঢ়িম ,
যাক মই ধৰ্ম্ম বুলি ক’ব পাৰোঁ।

**মবাইল ঃ ৯৪৩৫০-৮৪৬৪৫**



# পৰিৱৰ্তনীয় ইচ্ছা

**বিনিময় দাস**

তোমাৰ অহা-যোৱা বাটত
ৰৈ থাকো সদায়-
ইচ্ছা- এবাৰ দেখাৰ, কথা কোৱাৰ,
তোমাৰ প্ৰাণ চঞ্চল হাঁহিবোৰ
ডাইৰীৰ পাতত লেখাৰ, আহিব প্ৰেমৰ জোৱাৰ।
সেয়া তুমি জ্ঞাত নহয়,
নকৰা সময় অপচয়।
সদায় পাৰ হৈ যোৱা তুমি অৱজ্ঞাৰ দৃষ্টিৰে,
অজানিতে ৰোপণ কৰা ধ্বংসৰ বীজ-
সহাঁৰি নাপাওঁ সৃষ্টিৰে।
নিদিবা মোক ইমান কষ্ট,
মোৰ চচমাৰ কাঁচ যেন অস্পষ্ট।
আহি যাব পাৰে মোৰ সিদ্ধান্তত অনুশোচনা,
হয়তো কাইলৈ তুমি কথা ক’বলৈ বিচাৰিবা,
আৰু মই কৰিম-
নিশ্চুপতাৰ উপস্থাপনা।

**ম’বাইল ঃ ৯৪৩৫৫-৩৭৫৯১**

# নৈ খনেও কথা কয়

**মেৰী বৰদলৈ,** নগাঁও

নৈ খনেও
কথা কয়
শুনিবা আহি
বহিবা সৌ ওখ
শিল চপৰাত

বহু কথা কয়
বুজি পাবা
যদিহে তুমি নৈ খনৰ
আজন্ম প্ৰেমিক হ’ব খোজা

চকুলৈ চাই
নৈ খনেও হাঁহে
চুচুকচামাককৈ কাষচাপিও আহে
নীৰৱে ৰ’বাহি চোন পাৰত
উমান পাবা

কেতিয়াবা অভিমান কৰে
ঠেঁহও পাতে
নৈখনে
পচোৱা এছাটি হৈ
আহিবাচোন গোপনে
দেখা পাবা
সেই ঠেঁহপতা অভিমান

মন গ’লে
নৈখনেও চকুলো টুকে
খহনীয়া গৰাৰ
উত্তাপ সহিব নোৱাৰি
এচটা শিলত চকুলো সামৰে
আহিবা এদিন
নৈ পাৰলৈ গম পাবা....।

# আচলতে

**নয়ন মণি মিশ্ৰ**
নগাঁও, অসম

পুৰণি স্মৃতি
বুলি কোৱা মুহূৰ্তবোৰক
আমি আচলতে
পাহৰিবলৈ বিচাৰো।
নোপোৱাৰ যন্ত্ৰণা,
পোৱাৰ আনন্দ
প্ৰকাশ কৰিব পাৰি নে?
হয়তো
জীৱনটো বিশেষ হৈ ওঠা নাই
তথাপিতো
ভালে থকাটো জানো
কোনো উদ্‌যাপন নহয়?

**ম’বাইল ঃ ৮৪০৩৮-৪১৬১৭**

# ভকতি

**আহ্লাচ আলী**
জনীয়া, বৰপেটা

যিজনে বজায় বীণ
আপোন স্বাৰ্থক এৰি
পৰৰ লাগি কান্দে
সিয়েহে পায় ভকতি
তাৰ বাবেহে যায়
অকণি হিয়া ভাগি
যাৰ বুকুৰ কেঁচা তেজে লিখে
ভ্ৰাতৃ মাতৃৰ উদাৰ স্নেহ প্ৰীতিৰ বাণী
তাৰ চৰণতহে নিগৰি পৰে
বেদনা ৰিক্ত গধুৰ চকুপানী
ৰিক্ত হৃদয়ৰ অযুত ভকতি
সিয়েহে পায়
যিজনে দেখুৱায়
বুকুৰ তেজেৰে
মই সাম্যবাদী

**ম’বাইল ঃ ৮৮২২১-১৬৪৫১**

# সংগীত শিল্পী দিগন্ত ভাৰতী

**হেৰম্ব নাথ**

হে সংগীত সাধক মহান শিল্পী
তুমি সুযোগ্য সন্তান
আই অসমীৰ।
সংগীত জগতৰ পুৰোধা
স্ৰষ্টাৰ অনিৰুদ্ধ প্ৰতিতীত
অনুৰাগীৰ প্ৰণাম্য কণ্ঠ
অজয়-অমৰ তোমাৰ সাৰস্বত সাধনা
কলাৰে উদ্বুদ্ধ তোমাৰ আত্মা।

জনমৰ প্ৰভাতী সুৰুযৰ কিৰণসিদ্ধ
তোমাৰ সংগীত শৈলী
অতিক্ৰম কৰিছা
জীৱনৰ কেবাটাও সোণালী বৰ্ষ
জনতাৰ সমুখত অনুপম সংগীত মূৰ্চ্ছনা
দুওঁঠত সৰগী হাঁহিৰ অংশু
মায়াময় সুৰৰ তন্ময়তা
প্ৰজন্মৰ অসীম স্নিগ্ধতাৰে উদ্ভাসিত
তুমি প্ৰেৰণাস্ৰোত
গীতেৰে অনুপ্ৰাণিত কৰ সংঘাতময় জীৱনক
নৱ ৰূপ দিবলৈ
দুওঁঠত বিৰিঙা হাঁহিৰ অচিৰাভা
বিমোহিত অনুৰাগী
সুৰ-কণ্ঠ উপাসকৰ কল্লোল-আনন্দ।

গীত দ্ৰষ্টা আৰু স্ৰষ্টা
প্ৰপঞ্চ তুমি তপোনিধিৰ
গীতৰ খনিকৰ
কণ্ঠৰ যাদুকৰ
শ্ৰোতাৰ একান্ত অন্বেষণৰ বিশ্বাসত
তৰুণক সুৰৰ মায়াৰে অনুপ্ৰাণিত কৰাৰ
কলা সঁচাকৈয়ে প্ৰাতঃস্মৰণীয়
অনুভৱৰ গুঞ্জন
কি যে প্ৰশান্ত সাহচৰ্য তুমি।

অনুৰাগীৰ প্ৰাণত।
প্ৰতিকূল সময়তো প্ৰোজ্বল ব্যক্তিত্ব
উত্তৰ পুৰুষৰ আদৰ্শ তুমি।
সুৰৰ সৰযু
প্ৰচ্যুতিবিহীন সহিতপ্ৰজ্ঞতা
সাগৰ সদৃশ গীতৰ মাধুৰ্য
আকাশৰ দৰে বিশালতা
তোমাৰ হাঁহিৰ সুষমা
গীতৰ মাধুৰিমা
যেন স্বকৃত কৰ্মৰ ঈশশ্ৰুত ঐনিতম।

অসম মাতৃৰ আত্মাৰ ঈপ্সিত কণ্ঠ
হৃদয়ত প্ৰত্যহ জুগুপ্সিত-পৰিত্যাজ্য
ঈৰ্ষা-হিংসা
জীয়ন্তা সুৰৰ প্ৰতুল মায়াৱী জ্যোতি
সংগীত সাধনা তোমাৰ প্ৰাণৰ ঝিঙিট
সত্যৰ ভগ্নাংশক পুনঃউজ্জীৱিত
কৰাৰ দুৰন্ত আপাহ।
অপমানৰ মাজতো আশাৰ সঞ্জীৱন
সাৰস্বত সাধনাৰ জ্যোৎস্না-বিধৌত উহ
নিঃকিনজনৰ জীৱনলৈ কঢ়িয়াই অনা
প্ৰত্যাশাৰ প্লাৱন।

পৰশমণি-অগ্নিভ
সংগীত জগতত অনন্য মাত্ৰাৰে উদ্ভাসিত ভূমা
তুমি আবাহনী প্ৰত্যয়েৰে
প্ৰতিজন অসমীয়াৰ মানসপটত
জিলিকি থাকিবা
স্বকীয় বৈশিষ্ট্যৰে
এক স্বীয় প্ৰণামী সত্তা হৈ।

**ম’বাইল ঃ ৭০০২৭-৯৭৫৪০**

প্ৰথম পৃষ্ঠাৰ পৰা

# ডিব্ৰুগড় চহৰত নৱনিৰ্মিত দুখন উৰণ সেতু শুভ উদ্বোধন

মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জাতীয় জীৱন, উদ্যোগ আৰু বাণিজ্যৰ প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় জিলা আৰু চহৰখনক সুন্দৰ ৰূপত সজাই পৰাই তুলিবলৈ ৰাজ্য চৰকাৰে কেইবাটাও গুৰুত্বপূৰ্ণ কাৰ্যসূচী হাতত লৈছে। তেওঁ লগতে কয় যে ২৬ জানুৱাৰীত ডিব্ৰুগড়ত চাৰিখন নতুন উৰণ সেতুৰ একেদিনাই আধাৰশিলা স্থাপন কৰা হৈছিল। মানকটা পথত নতুন উৰণ সেতুৰ বাবে ৮৩.৬২ কোটি টকা, আমোলাপট্টি চাৰিআলি উৰণ সেতুৰ বাবে ১৫৭.৭৩ কোটি টকা, লাহোৱাল-বৰডুবি-তিনিচুকীয়া আৰু পুৰণি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগস্থল উৰণ সেতুৰ বাবে ৭১.৫২ কোটি টকা আৰু লেজাই ক’লাখোৱা পথ উৰণ সেতুৰ বাবে ৬২.১৫ কোটি টকা ব্যয় কৰা হ’ব বুলি তেওঁ কয়। ইতিমধ্যে এই উৰণ সেতু নিৰ্মাণৰ বাবে লোকনিৰ্মাণ বিভাগে যাৱতীয় প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছে। আগতে অসমৰ উন্নয়ন গুৱাহাটী মহানগৰীত সীমাবদ্ধ হৈ আছিল বুলি মন্তব্য কৰি তেওঁ কয় যে ভাৰতীয় জনতা পাৰ্টি নেতৃত্বাধীন চৰকাৰখনে সমগ্ৰ অসমৰ সুষম আৰু বিকশিত উন্নয়নৰ বাবে অসমৰ প্ৰতিখন জিলালৈ উন্নয়নৰ নতুন দিগন্ত আনিবলৈ প্ৰয়াস চলাইছে। প্ৰতিখন জিলাতে কেবিনেটৰ বৈঠক অনুষ্ঠিত হৈছে আৰু সেই জিলাৰ বাবে প্ৰয়োজনীয় গুৰুত্বপূৰ্ণ আঁচনিসমূহ অনুমোদন দিয়া হৈছে। তেওঁ লগতে কয় যে নগাঁও চহৰত উৰণ সেতু, গোলাঘাট চহৰত চিকিৎসা মহাবিদ্যলয়, যোৰহাটত উৰণ সেতু, শিৱসাগৰত কৰ্কট চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয়, চৰাইদেউত চিকিৎসা মহাবিদ্যালয় আৰু তিনিচুকীয়া জিলাত চিকিৎসা মহাবিদ্যালয় আৰু উৰণ সেতু নিৰ্মাণ হৈছে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ উন্নয়নৰ বিষয়টো উল্লেখ কৰি তেওঁ কয় যে ধেমাজিত চিকিৎসা মহাবিদ্যালয়, লখিমপুৰত চিকিৎসা মহাবিদ্যালয় আৰু উৰণ সেতু, বিশ্বনাথত চিকিৎসা মহাবিদ্যালয় আৰু ৰোপৰে, গহপুৰত কনকলতা বিশ্ববিদ্যালয় নিৰ্মাণৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয় যে ৰাজ্যখনৰ সকলো জিলাৰ উন্নয়নৰ বাবে বিজিপি নেতৃত্বাধীন চৰকাৰখনে নিৰন্তৰ কাম কৰি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰৰ শাসনকালত ধলা শদিয়া, বগীবিলৰ দলং সম্পূৰ্ণ হ’ব। কলিয়াবৰত ব্ৰহ্মপুত্ৰৰ ওপৰত দ্বিতীয়খন দলং, গুৱাহাটী- উত্তৰ গুৱাহাটী, শুৱালকুছি-পলাশবাৰী, ধুবুৰী- ফুলবাৰীৰ মাজত দলং নিৰ্মাণৰ বিষয়টো আলোকপাত কৰি তেওঁ কয় যে প্ৰধানমন্ত্ৰীৰ উন্নয়নী প্ৰক্ৰিয়াই প্ৰতিখন জিলাকে সামৰি লৈছে। অসম লাহে লাহে আত্মবিশ্বাসী হৈছে আৰু নতুন নতুন আঁচনিৰ কল্পনা কৰিছে। তেওঁ লগতে কয় যে গহপুৰ আৰু নুমলীগড়ৰ মাজত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে সুৰংগ নিৰ্মাণৰ দিশত কেন্দ্ৰীয় চৰকাৰে আগবাঢ়ি যাব। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কাজিৰঙাত ৩২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড ক’ৰিডৰৰ কথা উল্লেখ কৰে। তেওঁ লগতে কয় যে এই বছৰৰ ভিতৰতে ৰাজ্য চৰকাৰে নতুন অৰ্থনৈতিক ক’ৰিডৰকো আগুৱাই লৈ যাবলৈ পৰিকল্পনা কৰা হৈছে। গুৱাহাটী মহানগৰীৰ সৈতে প্ৰতিখন নগৰলৈ অতি কম সময়ৰ ভিতৰত যাব পৰা পথ পৰিকল্পনাৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰা হৈছে। গুৱাহাটী আৰু ডিব্ৰুগড়ৰ মাজত নিৰ্মাণৰত ৰাষ্ট্ৰীয় ঘাইপথৰ কাম এই বছৰৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব। প্ৰধানমন্ত্ৰীয়ে নিজৰ ভৰিৰ ওপৰত ঠিয় হ’বলৈ শিকাইছে বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ডিব্ৰুগড় চহৰক অসমৰ দ্বিতীয় ৰাজধানী হিচাপে ইতিমধ্যে মৰ্যাদা প্ৰদান কৰা হৈছে। ডিব্ৰুগড়ত মুখ্যমন্ত্ৰীৰ সচিবালয় আৰু অসম সচিবালয় নিৰ্মাণৰ কাম ছেপ্টেম্বৰ মাহত আৰম্ভ হ’ব। ডিব্ৰুগড়ত বিধানসভা ভৱন, পোন্ধৰশ ব্যক্তিয়ে একেলগে বহিব পৰা প্ৰেক্ষাগৃহ, বিধায়কসকলৰ আবাস আৰু এশখন বিচনাযুক্ত আৱৰ্ত্ত ভৱন নিৰ্মাণ বিষয়টো উল্লেখ কৰি তেওঁ কয় যে অসম বিধানসভাৰ অধিবেশন বছৰত দুবাৰ গুৱাহাটীত আৰু দুবাৰ ডিব্ৰুগড়ত অনুষ্ঠিত কৰা হ’ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে খনিকৰ ষ্টেডিয়ামখন ৩৫ হাজাৰ মানুহে বহি উপভোগ কৰিব পৰাকৈ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰিছে। প্ৰথম পৰ্যায়ৰ কাম অক্টোবৰত উদ্বোধন কৰা হ’ব আৰু এবছৰৰ ভিতৰত এই বিশাল ষ্টেডিয়াম ৰাইজ বাবে উৎসৰ্গা কৰা হ’ব বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ডিব্ৰুগড় পৌৰনিগমৰ আয়ুক্ত হিচাপে ভাৰতীয় প্ৰশাসনিক বিষয়া এগৰাকীক নিযুক্তি দিয়াৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে ডিব্ৰুগড় জিলাৰ কেইবাটাও সমস্যা সমাধানৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে নামৰূপ সাৰ কাৰখানা পুনৰজ্জীৱিত কৰাৰ লগতে নতুন সাৰ কাৰখানা নিৰ্মাণৰ দিশত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়েও উল্লেখ কৰে। সাৰ কাৰখানা আৰু মিথানল প্ৰকল্পই ডিব্ৰুগড় জিলাত এক নতুন উদ্যোগিক বাতাবৰণ গঢ়ি তুলিব। তেওঁ লগতে কয় যে কেন্দ্ৰীয় চৰকাৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ক ১০০ কোটি টকা প্ৰদান কৰিছে আৰু ৰাজ্য চৰকাৰেও এই উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানখনলৈ ১০০ কোটি টকা আগবঢ়াইছে। এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, শক্তি আদি বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকন, শ্ৰমিক কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা, সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক বিনোদ হাজৰিকা, পোণাকন বৰুৱা, চক্ৰধৰ গগৈ, তৰংগ গগৈ, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ড° চৈকত পাত্ৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জীতেন হাজৰিকা, লোকনিৰ্মাণ পথ বিভাগৰ বিশেষ আয়ুক্ত সচিব বিভুতি হাজৰিকা প্ৰমূখ্যে শীৰ্ষ বিষয়াসকল আৰু গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

# চন্দ্ৰপ্ৰভা বড়া হাইস্কুলৰ সোণালী জয়ন্তী উদ্‌যাপন অনুষ্ঠানত মুখ্যমন্ত্ৰী

মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন নিৰ্মাণ কৰা হ’ব। ইয়াৰ বাবে ৰাজ্য চৰকাৰে প্ৰতিখন বিদ্যালয়ৰ বাবে ৮ কোটি টকা অনুমোদন দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এনে বৃহৎ পৰিসৰৰ আন্তঃগাঁথনিমূলক পদক্ষেপৰ বাবে প্ৰায় ৩২ হাজাৰ কোটি টকাৰ প্ৰয়োজন হ’ব বুলিও তেওঁ সদৰী কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে ইমান বৃহৎ পুঁজি একে সময়তে ব্যয় কৰিব নোৱাৰে বাবে প্ৰথম পৰ্যায়ত ৫০০খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নতুন ভৱন নিৰ্মাণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে আৰু চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানসমূহৰ এই পৰিৱৰ্তনৰ নতুন যাত্ৰা ইতিমধ্যে আৰম্ভ হৈছে। চলিত বৰ্ষৰ শেষৰ ফালে প্ৰায় ২০০খন বিদ্যালয়ৰ নতুন ভৱনৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে প্ৰতি বছৰে ২০০খনকৈ বিদ্যালয়ৰ আন্তঃগাঁথনি নতুনকৈ নিৰ্মাণ কৰিব। ২০৩৫ চনৰ আগতে ৰাজ্যৰ এই বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নীতকৰণৰ কাম সম্পূৰ্ণ হৈ উঠিব বুলিও তেওঁ মন্তব্য কৰে। আজাৰাৰ চন্দ্ৰপ্ৰভা বড়া বিদ্যালয়ত নতুন ভৱন নিৰ্মাণৰ প্ৰয়োজনীয়তা থাকিলে ৰাজ্য চৰকাৰে ৮ কোটি টকা আগবঢ়াব বুলিও তেওঁ কয়। বিদ্যালয়সমূহৰ শৈক্ষিক মানদণ্ডৰ উন্নয়ন সাধনৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে যিসমূহ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম সেইসমূহ বিদ্যালয় ওচৰৰ বিদ্যালয়ৰ সৈতে চামিল কৰা হৈছে। তেওঁ লগতে কয় যে ৰাজ্যখনৰ হিন্দী আৰু বঙালী মাধ্যমৰ বহু বিদ্যালয়ে দ্বৈত মাধ্যম প্ৰৱৰ্তনৰ বাবে অসম চৰকাৰৰ পৰা অনুমতি লৈছে। নলবাৰীৰ গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়, উত্তৰ গুৱাহাটীৰ ৰংমহল হাইস্কুলে ইতিমধ্যে ইংৰাজী আৰু অসমীয়া মাধ্যম প্ৰৱৰ্তন কৰিছে। ইয়াৰ ফলত চৰকাৰী শিক্ষানুষ্ঠানতে ইংৰাজী আৰু অসমীয়া মাধ্যমত নিজ সন্তানক শিক্ষাদানৰ বাবে দুখীয়া মানুহৰ থকা আকাংক্ষা পূৰণ হৈছে। তেওঁ লগতে কয় যে শিক্ষাৰ্থীসকলে এনে শিক্ষানুষ্ঠানত বিজ্ঞান আৰু গণিত বিষয়টো ইংৰাজী মাধ্যমত পঢ়িব লাগিব। বৰ্তমান হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰশ্নসমূহ ধাৰণাভিত্তিক হৈ পৰিছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পৰীক্ষাত ভাল ফলাফল দেখুৱাবলৈ হ’লে তেনে ধাৰণাভিত্তিক প্ৰশ্নৰ সৈতে ছাত্ৰ-ছাত্ৰীসকল পৰিচিত হ’ব লাগিব। সদ্যসমাপ্ত হাইস্কুল শিক্ষান্ত পৰীক্ষাত এটা বিষয়ৰ প্ৰশ্ন এটাক লৈ বিতৰ্কৰ সৃষ্টি হোৱাৰ কথা উল্লেখ কৰি তেওঁ কয় যে ইমান দিনে অসমৰ শিক্ষা ব্যৱস্থা মুখস্থবিদ্যাৰ ওপৰত নিৰ্ভৰশীল আছিল। সেই বাবে প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত শিক্ষাৰ্থীসকলে আশানুৰূপ ফলাফল লাভ কৰিব পৰা নাছিল। ৰাজ্য চৰকাৰে এই বিষয়টোৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে আৰু ৰাজ্যৰ শিক্ষাৰ্থীসকলক ধাৰণাভিত্তিক শিক্ষা প্ৰদানৰ দিশত পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে বিদ্যালয়ৰ শিক্ষক সমাজে পাঠ্যক্ৰমভিত্তিত শিক্ষা প্ৰদান কৰাৰ পিছতো হাইস্কুল শিক্ষান্ত পৰীক্ষাত উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰাত কিছু সংখ্যক বিদ্যালয় সমৰ্থ নহয়। ইয়াৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে মেট্ৰিক পৰীক্ষাৰ্থীসকলক সন্ধিয়াৰ সময়ছোৱাত স্থানীয় যুৱক-যুৱতীৰ দ্বাৰা শিক্ষা প্ৰদানৰ পদক্ষেপ ল’ব বিচাৰিছে। চৰকাৰী বিদ্যালয়সমূহত কিছু সমস্যা থাকে বুলি মন্তব্য কৰি তেওঁ কয় যে এই সমস্যা নিৰসনৰ দিশত সমাজে ভূমিকা গ্ৰহণ কৰিব পাৰে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে বিহু কমিটি, পূজা কমিটি, মন্দিৰ কমিটিসমূহেও এই শৈক্ষিক উত্তৰণৰ দিশত দায়িত্ব বহন কৰিব পাৰে। তেওঁ কয় যে উৎসৱ উদযাপনৰ সমান্তৰালকৈ মানুহ আৰু গুণৰ উৎসৱো উদযাপিত হ’ব লাগিব। উন্নত বিদ্যায়তনিক পৰিৱেশ থকা সমাজ বা দেশতহে সংস্কৃতি আৰু ক্ৰীড়াৰ পৰিৱেশ গঢ় লৈ উঠে বুলিও মন্তব্য কৰি তেওঁ কয় যে তেনে বিদ্যায়তনিক পৰিৱেশ নিৰ্মাণৰ বাবে সামাজিক অনুষ্ঠানসমূহ আগুৱাই আহিব লাগিব। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থীসকলৰ বাবে বিশেষ শ্ৰেণীসমূহ কৰিব পৰাকৈ সামাজিক অনুষ্ঠানসমূহে ব্যৱস্থা কৰি দিলে ইয়াৰ বাবে পুঁজিও চৰকাৰে যোগান ধৰিব বুলিও তেওঁ কয়। এই দিশত সামাজিক আলোচনাৰ পোষকতা কৰে মুখ্যমন্ত্ৰীয়ে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰ আৰু জনসাধাৰণে যৌথভাৱে কাম কৰিলে ৰাজ্যখন দ্ৰুততাৰে প্ৰগতিৰ দিশত আগুৱাই যাব। ৰাজ্যৰ যুৱ প্ৰজন্মৰ মাজত বহু প্ৰতিভা আছে আৰু তাক বিকশাই তুলিব লাগিব বুলি মন্তব্য কৰি তেওঁ কয় যে প্ৰত্যেকটো অঞ্চলতে ভাল সংগীত বিদ্যালয়, খেলপথাৰৰ লগত প্ৰশিক্ষণৰ ব্যৱস্থা থাকিলে বহু মানৱ সম্পদ নিৰ্মাণ কৰিব পৰা যায়। অসমত উপযুক্ত মানৱ সম্পদ নিৰ্মাণ কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ বুলিও তেওঁ মন্তব্য কৰে। ৰাজ্য চৰকাৰে বিদ্যালয়সমূহত দক্ষতা বিকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব বুলি উল্লেখ কৰি তেওঁ কয় যে এই উদ্দ্যেশ্যে এডভান্টেজ আছাম ২.০ সন্মিলনত বুজা-বুজি চুক্তি স্বাক্ষৰিত হৈছে। এই পদক্ষেপৰ আধাৰত শিক্ষানুষ্ঠানসমূহত উদ্যমিতা তথা দক্ষতাৰ প্ৰশিক্ষণ প্ৰদান কৰা হ’ব। ৰাজ্যখনৰ সৰ্বাংগীন বিকাশ সুনিশ্চিত কৰিবলৈ শিক্ষানুষ্ঠানসমূহক ব্যৱহাৰ কৰিলে প্ৰতিটো ক্ষেত্ৰতে উপযুক্ত মানৱ সম্পদ নিৰ্মাণ হ’ব বুলিও তেওঁ ভাষণত মন্তব্য কৰে। আনহাতে, অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই সোণালী জয়ন্তী উদযাপন উপলক্ষে চন্দ্ৰপ্ৰভা বড়া হাইস্কুলৰ প্ৰধান শিক্ষক প্ৰমুখ্যে বৰ্তমান আৰু পূৰ্বৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী সমন্বিতে সমূহ আজাৰাবাসীক আন্তৰিক অভিনন্দন জ্ঞাপন কৰি কয় যে বহুকেইগৰাকী স্বনামধন্য ব্যক্তি অশেষ কষ্ট আৰু ত্যাগৰ বলত পাঁচ দশক পূৰ্বে শিক্ষাৰ এই মন্দিৰৰ বীজ ৰোপন হৈছিল। মুখ্যমন্ত্ৰীয়ে বিদ্যালয়খনৰ ভৱনৰ দাতা প্ৰয়াত ৰাজধৰ বড়াৰ লগতে বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ লগত জড়িতসকলৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰি ৫০ বছৰীয়া ইতিহাসেৰে সমৃদ্ধ এই বিদ্যালয়খন সম্প্ৰতি অঞ্চলটোৰ এখন অগ্ৰণী শিক্ষানুষ্ঠানত পৰিণত হৈছে বুলিও মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানতে ‘স্বৰ্ণপ্ৰভা’ শীৰ্ষক চন্দ্ৰপ্ৰভা বড়া হাইস্কুলৰ সোণালী জয়ন্তী উদযাপনৰ স্মৃতিগ্ৰন্থখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰে। এই অনুষ্ঠানত সোণালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি মুকুটমণি দাস, কাৰ্যকৰী সভাপতি ভবেন চন্দ্ৰ মেধি, মুখ্য উপদেষ্টা ডাঃ হৰিচৰণ মেধি, ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক কৰুণাকান্ত নাথ প্ৰমুখ্যে কেইবাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# জীৱনৰ লাখুটি চিৰস্থায়ী নহয়

■ চন্দ্ৰ শেখৰ পৰাজুলী
বিশ্বনাথ চাৰিআলি

এই সৃষ্টিত যেনেদৰে উত্থানৰ অনিশ্চিয়তা আছে। ঠিক তেনেদৰে তাৰ পতনৰো কোনো সীমা নাথাকে। অৰ্থাৎ যত ভাল থাকে তাৰ লগে লগেই বেয়াবোৰ লগ লাগি আহিবলৈ ধৰে। সেয়েহে নিজৰ ভাল দিশবোৰত অন্যান্য মানুহক অবহেলাৰ পাত্ৰ বুলি গণ্য কৰিব নালাগে। কিয়নো আমি একোৱেই নাজানো আমাৰ পতনৰ সময় সীমাবোৰ কেতিয়া বা কোন দিনৰ পৰা আৰম্ভণি হৈ যাব পাৰে। মানুহ এজনৰ একেবাৰে সহজাত প্ৰবৃত্তি এইটোৱেই যে আপোনাৰ ভাল দিনবোৰত সকলো মানুহে হয়ভৰ দি সমৰ্থন কৰি আহিব। কাৰণ তাতে তেওঁলোকৰ আপোনাৰ লগত স্বাৰ্থ জড়িত হৈ থাকে। আৰু যেনি গম পাবলৈ ধৰে আপোনাৰ বেয়া দিনবোৰ কাষ চাপিব ধৰিছে সেই তেতিয়া আপোনাক আৰু আগৰ দৰে গন্তিত বা পূৰ্বৰ দৰে এক আত্ম মৰ্যদা প্ৰদানৰ পৰা অবজ্ঞা প্ৰদান কৰে। আচলতে আমি সচৰাচৰ লাখুটি বুলি কলে একেবাৰে গাঁৱলীয়া ভাষাত কাঠেৰে নিৰ্মিত আৰু পৰাপক্ষত একেবাৰে বৃদ্ধ অৱস্থাত গৈ নিজ নিজ শৰীৰৰ ভাৰ সমূহক স্থিতি প্ৰদান বাবে ব্যৱহাৰ হোৱা এদিন আহিলা বা বস্তু এটা বুলি গম পাওঁ। অৰ্থাৎ তাৰ পৰিবৰ্তে আমি অন্যান্য একেবাৰে মজবুত ধৰণৰ ধাতুৰে নিৰ্মিত নানান সংসাধনবোৰো আমাৰ প্ৰয়োগত লৈ আহিব পাৰোঁ। কিন্তু আমি যদি একেবাৰে গভীৰভাৱে চিন্তা কৰোঁ তেন্তে গম পাম যে এই জীৱন ৰূপী লাখুটি কাৰো বাবেই চিৰস্থায়ী হৈ নাথাকে। অৰ্থাৎ মই ব্যৱহাৰত লৈ থকা লাখুটি ডাল হয়তো এটা সময়ত গৈ হয়তো মোৰ বাবেই এক অৰ্থহীন বা এক পেলনীয়া সমগ্ৰী দৰে হৈ পৰিব পাৰে । এতিয়া কথা হ’ল আমি প্ৰয়োগত লৈ অহা সেই লাখুটি ডালৰ জৰিয়তে যেতিয়া নিজা কাৰ্যবোৰ একেবাৰে সুচাৰুভাৱে সম্পন কৰি লও তাৰ পৰিৱৰ্তী পৰ্যায়ত তাক আমি কেনে মৰ্যদা প্ৰদান কৰিবলৈ সমৰ্থ হওঁ সেইটো এক উল্লেখনীয় কথা আহি পৰে। গতিকে কেতিয়াবা হয়তো কোনোবা এজনৰো মুখেৰে আজিলৈকে শুনিবলৈ সক্ষম হৈছে নেকি একেবাৰে অজৰ অমৰ লাখুটিবোৰৰ কথা। কিন্তু আমি এক সাধাৰণ মানুহে হয়তো আনৰ ভাগ্যৰ বলত নিজে কিছুদূৰ আগুৱাই যাবলৈ সক্ষম হ’লেই আমি মনে মনে হয়তো এইটো ভাবিবলৈ আৰম্ভ কৰি দিওঁ যে মোৰ জীৱন ৰূপী লাখুটিডালক কোনেও একো এটা ক্ষতি সাধন কৰিব নোৱাৰে। আচলতে এই সংসাৰৰ মোৰ সামান্য জীৱন অভিজ্ঞতাৰ পৰা দৃষ্টিগোচৰ হোৱা কথাটো হ’ল এইটোৱেই যে ইয়াত বেয়া দিনবোৰে বাজনা বজাই বজাই নাহে। বেয়া দিনবোৰ আহিবলৈ ধৰিলে বতাহৰ গতিত আহিবলৈ ধৰে আৰু আমাৰ সকলোবোৰ ভ্ৰম, অহংকাৰ নিমিষতে ধ্বংস কৰি লৈ যায়। হয়তো ইয়াতে কিছুমান বুদ্ধিজীৱি মানুহে মনে মনে ভাবিব পাৰে যে মই পৰাপক্ষত লাখুটিৰ ওপৰত লাখুটি নিৰ্মাণ কৰা কাৰখানা তৈয়াৰ কৰিব। কিন্তু তেওঁলোকে এইটো নাজানে যে সেই নিজৰ দ্বাৰা নিৰ্মাণ কাৰখানা সমূহত তৈয়াৰৰ নিমিত্তে এটা সময়ত গৈ হয়তো উপযুক্ত পৰিমাণৰ সামগ্ৰী পাবলৈকেও হাহাকাৰ লাগি যাব। সেয়েহে একেবাৰে সামান্য হ’লেও মনতে পুহি ৰাখিব লাগিব ভয়। কাৰণ জীৱনৰ লাখুটি চিৰস্থায়ী নহয়।

ম’বাইল ঃ ৯৭০৭৩-০৬৪৭৪

# নগাঁও- বটদ্ৰৱা সমষ্টিৰ অন্তগৰ্ত কেইবাটাও স্থানত পঞ্চায়ত নিৰ্বাচনৰ কাৰ্যালয় মুকলি



**বিশেষ সংবাদদাতা, নগাঁও ঃ** ৰাজ্যৰ প্ৰতিখন জিলাৰ লগতে নগাঁও- বটদ্ৰৱা সমষ্টিৰ অন্তগৰ্ত বিভিন্ন স্থানত নিৰ্বাচনী প্ৰচাৰ তুংগত হোৱা দেখিবলৈ পোৱা গৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বৰ্তমান ৰাজ্যখনৰ উন্নয়নৰ জয়যাত্ৰা দুগুণে আগবাঢ়িব ধৰিছে। ইয়াৰ মূলত কাৰণ হৈছে বিজেপি দলটোৰ সকলো নেতা-কৰ্মীৰ দলটোৰ হৈ আগবঢ়োৱা কৰ্মস্পৃহা আৰু একাগ্ৰতা। যিহেতু পঞ্চায়ত নিৰ্বাচন সমাগত সেয়ে নগাঁও - বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। সমষ্টিটোৰ অন্তগৰ্ত কেইবাটাও নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। জানিব পৰা মতে সকলোৰে দৃষ্টি নিবদ্ধ হৈ পৰা ১৩ নং ভোটাই পাঠৰীৰ জিলা পৰিষদ পদৰ প্ৰাৰ্থী স্বপ্নালী চাংকাকতী বৰাৰ হৈ বিধায়ক গৰাকীয়ে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে নগাঁও চহৰৰ কিছু নিলগত বৰঘাটত আনুষ্ঠানিকভাৱে এটি নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে। মুকলি অনুষ্ঠানত উপস্থিত থাকি বিধায়ক গৰাকীয়ে কয় যে -আমাৰ দলটোৰ অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত পঞ্চায়ত সমূহে যথেষ্ট ভূমিকা গ্ৰহণ কৰি আহিছে। ইতিমধ্যে নগাঁও - বটদ্ৰৱা সমষ্টিৰ অন্তগৰ্ত কেইবাগৰাকী পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বীতাৰে জয়লাভ কৰিছে। এয়া আমাৰ দলটোৰ কাৰণে শুভ সংবাদ বুলি কৈ সমগ্ৰ নগাঁও বাসী ৰাইজৰ মাজলৈ এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰে। উল্লেখ্য যে অনুষ্ঠানত নগাঁও পৌৰসভা উপ-পৌৰপতি সীমান্ত বৰা, মিত্ৰ দল এ, জি, পিৰ এগৰাকী নিষ্ঠাবান কৰ্মী গোলাপ শইকীয়াকে আদি কৰি দলীয় বহু-নেতা কৰ্মী উপস্থিত থাকে।

# এশ শতাংশৰে উজ্বলিল নগাঁৱৰ আনন্দৰাম বৰুৱা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল

**বিশেষ সংবাদদাতা, নগাঁও ঃ** সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত পূৰ্বৰ দৰে এইবাৰো নগাঁও চহৰৰ মাজমজিয়াত অৱস্থিত আনন্দৰাম ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে সফলতাৰ জয়যাত্ৰা অটুত ৰাখিবলৈ সক্ষম হৈছে। জানিব পৰা মতে শিক্ষানুষ্ঠানখনৰ পৰা ২০২৪-২৫ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত শিক্ষানুষ্ঠানখনৰ পৰা মুঠ ১৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অৱতীৰ্ণ হৈছিল তাৰে ৫ জনে ষ্টাৰমাৰ্ক সহ প্ৰথম বিভাগত ১৭ গৰাকী প্ৰথম বিভাগত আৰু ২ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলে মুঠ ৭৬ টা বিষয়ত লেটাৰ মাৰ্ক পাবলৈ সক্ষম হৈছে। শিক্ষানুষ্ঠানৰ এই ফলাফলে নগাঁৱৰ ৰাইজলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিছে। উল্লেখ্য যে শিক্ষানুষ্ঠানখনত আগন্তুক উচ্চতৰ মাধ্যমিক প্ৰথমবৰ্ষৰ নামভৰ্তিকৰণ প্ৰক্ৰিয়া চলি আছে বুলি শিক্ষানুষ্ঠানখনৰ পৰিচালনাৰ দায়িত্বত থকা শংকৰ দয়াল শৰ্মাই জানিবলৈ দিয়ে।




# জিলা অসামৰিক চিকিৎসালয়, হোজাইত ৰঙালী বিহু উদ্‌যাপন



**হোজাই ঃ** ২৭-০৪-২০২৫ তাৰিখ দেওবাৰে জিলা অসামৰিক চিকিৎসালয়, হোজাইৰ আৱাসিক এলেকেত এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অসমীয়াৰ বাপতি সাহোন ৰাঙলী বিহু বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। স্বাস্থ্য কৰ্মীসকলকৰ ব্যস্ততাপূৰ্ণ জীৱনত কিছু সকাহ প্ৰদান কৰিবৰ বাবে এই অনুষ্ঠান অনুষ্ঠিত কৰা হয়। স্বাস্থ্যকৰ্মী সকলে যিহেতু কৰ্ম ব্যস্ততাৰ বাবে কোনো উৎসৱ উদ্‌যাপন কৰাৰ বাবে আহৰি নাপায় সেই বাবেই স্বাস্থ্য কৰ্মী সকলক বিহুৰ মনোৰঞ্জন প্ৰদান কৰা বাবে এই বিহু উদ্‌যাপন কৰা হয়। ৰাতিপুৱা ৮.০০ বজাত জিলা অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ বাসুদেৱ মালাকৰে পতাকা উত্তোলন কৰে। তাৰ পিছৰে বন্তি প্ৰজ্বলন কৰে জিলা অসামৰিক চিকিৎসালয়ৰ উপঃ অধীক্ষক ডাঃ সুব্ৰত বনিকে। অনুষ্ঠানটো আঁত ধৰে জিলা অসামৰিক চিকিৎসালয়ৰ স্বাস্থ্য কৰ্মী ধীৰাজ ডেকাই। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি ৰাতিপুৱা ৯.০০ বজাৰ পৰা থলুৱা খেল-ধেমালিসমূহ অনুষ্ঠিত কৰা হয়। তাৰ পিছত দুপৰীয়া ১.০০ বজাত অনুষ্ঠিত হয় মুকলি সভা। এই মুকলি সভাতে আমন্ত্ৰিত শিল্পীৰ উপৰিও জিলা অসামৰিক চিকিৎসালয়ৰ চিকিৎসা কৰ্মী সকলেও দলীয় আৰু একক বিহু নৃত্য প্ৰদৰ্শন কৰে। মুকলি সভাতে বিহু অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজন কৰা থলুৱা খেল-ধেমালি প্ৰতিযোগিতাৰ বঁটা সমূহ প্ৰদান কৰা হয় বুলি আয়োজক সমিতিৰ সম্পাদিকা মনিকা ঘোষ, দীপালী শৰ্মা আৰু দীপিকা লস্কৰে জানিবলৈ দিছে। শেষত এটা সমূহীয়া হুঁচৰিৰ দ্বাৰা বিহু অনুষ্ঠানটো সমাপ্ত কৰা হয় বুলি আয়োজক সমিতৰ যুটীয়া সম্পাদক নব কুমাৰ দাস, টিংকু কলিতা, যুগল নাথে জানিবলৈ দিছে। বিহু অনুষ্ঠানটো সুকলমে আৰু সফলভাৱে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত যিসকল লোকে নিস্বাৰ্থভাৱে সহায় সহযোগ আগবঢ়াই তেওঁলোকক শলাগৰ শৰাই আগবঢ়াই উদ্‌যাপন সমিতৰ সভাপতি ডাঃ সৌৰভ কৰে।




# পেহেলগামৰ নাৰকীয় কাণ্ডত নগাঁৱত প্ৰতিবাদী সভা

## ৰং - তুলিকাৰে সন্ত্ৰাসবাদীৰ বিৰুদ্ধে প্ৰতিবাদ চিত্ৰশিল্পীৰ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁৱত নগাঁও নাগৰিক সভাৰ উদ্যোগত নগাঁও নগৰৰ মতিৰাম বৰা উদ্যানৰ সমীপত পেহেলগাম নাৰকীয় আৰু বৰ্বৰোচিত কাণ্ডৰ বিৰুদ্ধে প্ৰতিবাদী সভা অনুষ্ঠিত হয়। সন্ত্ৰাসবাদ নিপাত যাওঁক বাৰ্তাৰে দেশৰ সকলোকে কন্দুৱাই পেলোৱা বিনয় নৰৱোবালৰ মৃতদেহৰ কাষত নিৰ্বাহ - নিস্পন্দ নৱবিবাহিতা পত্নীৰ যি স্থিৰচিত্ৰই দেশবাসীক কন্দুৱাইছে সেই স্থিৰচিত্ৰ স্কেচ্ছ অংকন কৰি নগঞাঁ চিত্ৰশিল্পী সুজিত দাসে এই সময়ত জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো দেশবাসীক একত্ৰিত হৈ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিবলৈ আহ্বান জনায়। নগাঁও নাগৰিক সভাৰ সম্পাদক বিৰিঞ্চি বৰাই এই বৰ্বৰোচিত কাণ্ডক ধিক্কাৰ দিয়াৰ লগতে এই সংকটৰ সময়ত শাসক বিৰোধীক দলীয় আৰু সাম্প্ৰদায়িক ৰাজনীতি কৰাৰ পৰা বিৰত থাকিবলগৈ আহ্বান জনায়। সভাত কৃষক নেতা মোলান লস্কৰ, চাহিন জাফ্ৰি, যুবনেতা ৰূপম বৰা, গৰিয়া জাতীয় পৰিষদৰ কৰ্মকৰ্তা আৰু এন এছ ইউ আইৰ কৰ্মীও উপস্থিত থাকে আৰু সকলোৱে একেলগে এই নাৰকীয় হত্যাকাণ্ডৰ তীব্ৰ গৰিহণা দিয়াৰ লগতে যোগ্য প্ৰত্যুত্তৰ দিবলৈ প্ৰধানমন্ত্ৰীক আহ্বান জনায়।

স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা